চান্দমামা

মার্চ ১৯৮৭



জীৱনটো যেতিয়া ৰং-ধেমালি কৰি উপভোগ কৰাৰ সময়... শালমন ওলাই সকলো পণ্ড কৰি পেলালে

মোৰ জীৱনৰ সেই ডাঙৰ দিনটোৰ কাৰণে মই সকলো ধৰণে প্ৰস্তুত হৈছিলো — স্কুলৰ বছৰেকীয়া অনুষ্ঠান। প্ৰতিযোগিতাত যিটো গীত গাম, তাৰো আখৰা কৰিছিলো পূৰ্ণোদ্যমে। সকলোবোৰ ভাল ধৰণেই আগবাঢ়িছিল, কিন্তু হঠাৎ…মই দেখিলো মোৰ মুখত শালমন ওলাইছে। কিযে কাণ্ড… জীৱনটো যেতিয়া ৰং-ধেমালি কৰি উপভোগ কৰাৰ সময়… এই বয়সত এইবোৰ কি ওলাল… নাই, নাই… এইখন মুখ লৈ মই মানুহৰ আগত ওলাব নোৱাৰো।

এনে সময়তে মোৰ বন্ধু এজনী আহি কলেহি 'চিন্তা [illegible] ক্লিয়াৰেচিল লগোৱা, ময়ো ব্যৱহাৰ [illegible] চাইছো। তুমি জানা, ক্লিয়াৰেচিলে শালমন দূৰ কৰে। আৰু আনকি ই বিয়পি পৰা প্ৰতিৰোধ কৰাটো সহায় কৰে। মাথো সেয়াই নহয়, বিশ্বাস কৰা, ই সঁচাকৈয়ে প্ৰভাৱশালী।

বিপুল হৰ্ষধ্বনিৰ মাজত মই পুৰস্কাৰ গ্ৰহণ কৰিছিলো আৰু মনে মনে ধন্যবাদ দিছিলো ক্লিয়াৰেচিলক যাৰ যহত মই এই সাফল্য লাভ কৰিলো… ই হ'ল মোৰ জীৱনৰ সবাতোকৈ ৰোমাঞ্চকৰ মুহূৰ্ত্ত।

ক্লিয়াৰেচিল'এ ৩-ধৰণে কাম কৰে

১। শালমন শুকলি কৰে
[illegible] শালমনৰ [illegible] পেলোৱাত সহায় কৰে।

২। জীৱাণু প্ৰতিৰোধ কৰে
জীৱাণুনাশক ক্ৰিয়াই শালমন সৃষ্টি কৰা আৰু বিয়পাৰ পৰা জীৱাণু প্ৰতিৰোধ কৰে।

৩। শালমন শুকুৱাই পেলায়
অতিৰিক্ত তৈলাক্ত শুহি লৈ শালমন শুকুৱাই পেলোৱাত সহায় কৰে।

OBM-7991 ASM

ক্লিয়াৰেচিল শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

চুপাৰফাইটাৰ!

টেষ্টৰ বন্ধুগণে তেওঁক কয় "লিটিল মাষ্টাৰ"
সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে
চুপাৰবেটছমেন হিচাপে। কিন্তু চুনিল
গাভাচকাৰে নিজে কয় "মই এজন
চুপাৰফাইটাৰ, মই বিচাৰো মোৰ লৰাটোও
যাতে তেনে হয়। সেয়েহে মই সকলো পৰাই
শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে
দাঁত মাজিবলৈ—দাঁতৰ ক্ষয় ৰোধৰ বাবে
সচাকৈয়ে চুপাৰফাইটাৰ।"
দাঁতৰ ফাকত বৈ যোৱা খাদ্যকণাই
ৰোগ-বীজাণু জন্মাই আৰু তাত বিগলিত
এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স
চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি
দাঁতৰ আৰু মজবুতভাৱে সুৰক্ষিত কৰে।
সেয়েহে ৰোগ বীজাণু জন্ম নহয় আৰু
দাঁতবো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ
এষ্ট্ৰিনজেণ্টয়ে আলু মজবুত কৰি ৰাখে।
সেয়েহে দাঁতক দিয়ে মজবুত গাঁথনি আৰু
দীৰ্ঘায়ু কৰি ৰাখে।

চুনিলৰ ভাষাত "মই মোৰ ল'ৰাটোক
দিছো ফৰহান্স কেয়াৰ।
আপুনি তাৰ বাবে কি কৰিছে?"

ফৰহান্স

GM-113/86 Ass

গৌতম গোস্বামী
৭/৩/৮৭

চান্দমামা

মাৰ্চ ১৯৮৭

এই সংখ্যাত আছে

অমৰ বাণী	৭
চান্দমামাৰ সম্বাদ-বিসম্বাদ	৯
ৰজি	১০
অতি সাৰধানী	১১
চমজদাৰ	১৭
জ্বালা দ্বীপ	১৯
প্ৰকৃত চিকিৎসক	২৭
জুলীয়া কথা	৩৩
আমাৰ দেশৰ বিচিত্ৰ কথা	৩৫
মাটি ছুলে সোণ	৩৯
চিলাই	৪২
উত্তৰ-ৰামায়ণ	৪৩
ৰাম—কৃষ্ণ-কথা	৫১
সাধাৰণ-অসাধাৰণ	৫৭
সঠিক গণনা	৬২
প্ৰাকৃতিক বিস্ময়	৬৩

খনে : ২'৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০.০০ টকা মাথোন

No society gossip,
no sensational blow-ups, yet...

"Nearly 70% of Heritage readers fall in the upper income group of over Rs 2000 per month. Two thirds are male. The average age is 28 years."

– from an IMRB survey conducted in Oct.1986

It's an unusual magazine. It has a vision – for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families, are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

CMP 2149

THE HERITAGE

So much in store, month after month.

“আমাৰ 'ওৱান দে ইন্টাৰনেশ্যনেল'
দিনটো চলিব আৰু ৫ বাৰ ৰসনা খুৱাব।”
ৰসনা
কিয়ে কমলা-কমলা গোন্ধ!
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা
চফ্‌ট ড্ৰিংক কনচেনট্ৰেট
প্ৰস্তুতকাৰক ঃ পায়োমা ইণ্ডাষ্ট্ৰীজ, অছৰৱা, আহমেদাবাদ ৩৮০ ০১৬।
Rasna
Rasna
soft drink
concentrate
Orange
Mudra: A. PI 3353 AS

CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

এটি বিশেষ কথা : 'চান্দমামা'ৰ গ্ৰাহক হ'বলৈ হ'লে বছৰেকীয়া বৰঙণিৰ টকা পোনে পোনে চান্দমামাৰ মাদ্ৰাজৰ ঠিকনালৈ পঠাব ; ফটো-নামকৰণ প্ৰতিযোগিতাৰ ঠিকনালৈ কোনো টকা-পইচা কেতিয়াও নপঠাব। বছৰৰ যিকোনো মাহৰেপৰাই চান্দমামাৰ গ্ৰাহক হ'ব পাৰি। চান্দমামাত প্ৰকাশৰ বাবে লেখা-মেলা—এক : লেখা-মেলা লোক-কাহিনী ভিত্তিক হ'ব লাগিব ; দুই : ইংৰাজীলৈ ভাঙি পঠাব লাগিব। লেখা-মেলা মনোনীত হ'লে ছমাহৰ ভিতৰত প্ৰকাশিত হয়। অমনোনীত লেখা-মেলা ঘূৰাই পঠোৱা নহয় আৰু এই বিষয়ত ব্যক্তিগতভাৱে পত্ৰালাপ কৰা নহয়।

অমৰ-বাণী

সুহৃদাম্ হিতকামানাম্ যঃ শ্ৰুণোতি ন ভাবিতম্।
বিপদ সন্নিহিতা তস্য স বৰঃ শক্ৰুনন্দনঃ॥

[যিজনে শুভাকাংক্ষী বন্ধুসকলৰ সৎ পৰামৰ্শ গ্ৰাহ্য নকৰে তেওঁ ইচ্ছা কৰিয়েই নিজৰ বিপদ নিজেই চপাই লয়। আৰু তাৰ ফলত কেৱল তেওঁৰ শত্ৰুইত আনন্দিত হয়।]

বছৰ : ১১ মাৰ্চ ১৯৮৭ **সংখ্যা : ১২**

খনে : ২'৫০ টকা : : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

Centre|Mark
লাক্সৰৰ ডিজনী ফান পেৰে'ড
নতুনকৈ উলিওৱা হৈছে
গতিকে, ফূৰ্তি কৰক!
লাকী ড্ৰ আঁচনিত ভাগ লওক
ড'নাল্ড, মিকী, বাম্বী আৰু লাক্সৰ মিলি
এটা সুন্দৰ কৌতুকময় পৰিয়াল হৈ পৰে!
এতিয়া এটা ডিজনী ফান-চে'ট ললেই
হ'ল, তাৰ লগত আপুনি এখন লাকী ড্ৰ
কুপনো পাব!
হৰাতে পাই অবাক হবলগীয়া ধৰণৰ
পুৰস্কাৰ আছে ৫০০ টা!
লাক্সৰ ডিজনী ফান চে'ট
Luxor®
CLARION D 349 ASS

চান্দমামাৰ সম্বাদ-বি-সম্বাদ



অতিকায় হাঙৰ

লং আইলেণ্ডৰ তীৰত সম্প্ৰতি এটি অতিকায় বগা বৰণীয়া হাঙৰ ধৰা পৰিল। এই হাঙৰটোৰ ওজন হ'ল ১৫৭০ কিলো!

মূৰ কামোৰণি আৰু ভুঁইকঁপ

ওৰিগানৰ এগৰাকী ৩৪ বছৰীয়া মহিলা শ্ৰীমতী চাৰ্লট কিঙে চৰকাৰক তেওঁৰ মূৰ কামোৰণিৰ কথা জনোৱাত চৰকাৰে ভুঁইকঁপৰ ক্ষয়-ক্ষতি প্ৰতিৰোধৰ বাবে দ্ৰুতগতিৰে ব্যৱস্থা লৈছে। আজিলৈকে এইগৰাকী মহিলাৰ ৬ বাৰ মূৰ কামোৰণি হৈছিল আৰু ভুঁইকঁপে ঠাইডোখৰ জোকাৰি গৈছিল। চিকিৎসকসকলে মহিলাগৰাকীক বহু ধৰণে পৰীক্ষা কৰিও এই যোগাযোগৰ হেতু আৱিষ্কাৰ কৰিব পৰা নাই।

পানী মটৰ

বাটৰ ওপৰেদি যেনেকৈ গাড়ী চলে ঠিক তেনেকৈ পানীৰ ওপৰেদি চলিব পৰা এক অভিনৱ গাড়ী কেলিফৰ্নিয়াৰ প্ৰতিষ্ঠান এখনে সাজি উলিয়াইছে।

বৰফৰ দেশৰ নাহৰফুটুকী

বিলুপ্তপ্ৰায় বনাঞ্চলীয় এবিধ নাহৰফুটুকী সম্প্ৰতি কুলুৰ এটা গুহাত দেখা গৈছে। এইবিধ নাহৰফুটুকীৰ চামৰাৰ দাম অতি চৰা। চিকাৰীয়ে যাতে এনেবোৰ নাহৰফুটুকীক চিকাৰ নকৰে, তাৰ বাবে চৰকাৰে কঠোৰ দৃষ্টি দিছে।

ৰজি

ৰজা পুৰুৰৱৰ নাতিয়েকৰ নাম আছিল ৰজি। ৰজিৰ বীৰত্বৰ কাহিনী দশোদিশে ব্যাপ্ত হৈ পৰিছিল। কেৱল মানুহৰ মাজতে নহয়, দেৱতাসকলৰ মাজতো ৰজিতকৈ ডাঙৰ বীৰ আৰু নাই—এই কথা প্ৰচাৰিত হৈছিল।

এবাৰ দেৱতা আৰু দানৱসকলৰ মাজত যুদ্ধাৱস্থা সৃষ্টি হোৱাত দেৱতাসকলে ব্ৰহ্মাক সুধিলেগৈ, "এই যুদ্ধত কোন পক্ষ বিজয়ী হ'ব ?"

ব্ৰহ্মাই ক'লে, "যি পক্ষত ৰজি থাকিব, সেই পক্ষ অৱশ্যেই বিজয়ী হ'ব।"

ব্ৰহ্মাৰ এই উক্তিৰ কথা দানৱ সকলেও জানিব পৰিলে। লগে লগে দানৱসকলে ৰজিক তেওঁলোকৰ হৈ যুদ্ধ কৰিবলৈ অনুৰোধ কৰিলে।

দানৱসকলৰ অনুৰোধৰ উত্তৰত ৰজিয়ে ক'লে, "যুদ্ধৰ অন্তত মোক যদি ৰজা পাতা, তেনেহ'লে মই তোমালোকৰ হৈ যুদ্ধ কৰিম।"

কিন্তু ৰজিৰ এই প্ৰস্তাৱত দানৱসকল সন্মত নহ'ল।

দানৱসকল গুচি যোৱাৰ পাছ মুহূৰ্ততে দেৱতাসকলে ৰজিৰ কাষ চাপিলে আৰু যুদ্ধজয়ৰ অন্তত ৰজিক ৰজা হিচাপে মানি ল'বলৈ সন্মতি দিলে।

দেৱতা আৰু দানৱসকলৰ মাজত প্ৰচণ্ড যুদ্ধ লাগি পৰিল। ৰজিৰ নেতৃত্বত দেৱতা-সকল এই যুদ্ধত বিজয়ী হ'ল। দেৱৰাজ ইন্দ্ৰই ৰজিক নমস্কাৰ কৰি ক'লেগৈ, "পিতৃয়ে সন্তানক বিপদৰপৰা ৰক্ষা কৰাৰ দৰে তুমিও আমাক ৰক্ষা কৰিলা।"

"তোমালোক দেৱতা। সৃষ্টিৰ মূল কথা তোমালোকেই, আৰু তোমালোকেই মোক মোক পিতৃৰ সন্মান যাচিছা। কোনো পিতৃয়েই সন্তানৰ ৰাজত্বৰ সিংহাসনত অধিষ্ঠিত নহয়। এতেকে তোমালোকৰ পিতৃতুল্য হোৱাৰ ফলত মযো এই সিংহাসন গ্ৰহণ নকৰোঁ। তোমা-লোকৰ দেৱৰাজ্য তোমালোকেই চলাই থাকা" এই বুলি কৈ, ৰজি দেৱৰাজ্য এৰি গুচি গ'ল।





অতি সাৰধানী

গাঁৱৰ নাম লালকুঠি। এই গাঁৱৰ ৰাজু আছিল কাজুৱা কিন্তু অতি সাৰধানী মানুহ। সৰুতেই ৰাজু পিতৃ-মাতৃহীন হৈ পৰিছিল, আইতাকেই তাক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। মাটি-বাৰী অলপ-অচৰপ আছিল; লগতে মোটামুটি ভাল চাকৰিও এটা পাইছিল।

আৰু চাকৰি পোৱাৰ লগে লগে আইতাকে তাক সংসাৰৰ চকৰিতো লগাই দিলে। চুবুৰীয়া গাঁৱৰ চিনা-জনা এঘৰৰ ছোৱালী বিমলাক ৰাজুৰে বিয়া কৰালে।

বিমলাই ৰাজুক ভালেই পাইছিল; কিন্তু সকলো কথাত ৰাজুৰ এই অতি সাৰধানী মনোভাৱ দেখি বিমলাই বেয়া পাইছিল, যদিও তাই কেতিয়াও ৰাজুক এই কথাত মুখেৰে একো নকৈছিল।

ৰাতিৰ পৰতে ঘৰৰ দুৱাৰ-খিৰিকীবোৰ ঠিকমতে বন্ধ হ'লনে নাই—ৰাজুৱে বাৰে বাৰে পৰীক্ষা কৰি চাইছিল। বস্তু কিনি দোকানীক পইচা দিওঁতে কেইবাবাৰো গন্তি কৰিছিল। কিন্তু ৰাজুৰ এটা বিশেষ অভ্যাসৰ কাৰণে বিমলাৰ বিৰক্তিৰ সীমা-পৰিসীমা নাছিল। ৰাজুৰ এই অভ্যাসটো হ'ল যিকোনো বস্তু সাঁচি থোৱাৰ অভ্যাস। আধাপোৰা জুইশলাৰ কাঠীৰপৰা আৰম্ভ কৰি জুইশলাৰ খালী হোৱা বাকচ, চাবোনৰ কাগজ, টুকুৰা-টুকুৰি হোৱা ৰছী, সূতা, ছিঙা-ফটা কাগজ আনকি খেৰ-কুটাও সি কেতিয়াও পেলাই দিয়া নাছিল, সকলো যতনে সাঁচি থৈছিল। তাৰ এনে লেতেৰা অভ্যাসৰ ফলত গোটেই ঘৰটোৱেই এটা লেতেৰাবো লেতেৰা

নবনাথ ভৰদ্বাজ



গেৰেকনি যেন হৈ পৰিছিল।

বিমলাৰ বিৰক্তিৰ কথা থোৰতে বুজি পাই ৰাজুৱে কৈছিল, "যাক ৰাখোঁ, ৰাখে সি; পেলাই দিনো কৰিবা কি?"

এদিন বিমলাই এইবোৰ বস্তু এঠাইত দ'মাই জুই দিবলৈ ধৰোঁতেই বজাৰৰপৰা উভতি অহা ৰাজুৱে দেখা পাই আৰ্তনাদ কৰি কৈ উঠিল, "কি কৰা? কি কৰা? কৰিছা কি—? মই ইমান দিন ধৰি ইমান যত্ন কৰি সাঁচি থোৱা এই অমূল্য বস্তুবোৰ তুমি পুৰি পেলাইছা? মোৰ ইমানদিনৰ ইমান পৰিশ্ৰম পুৰি ভস্ম হৈ গ'লে তুমি ভাল পাবানে ব্যক? নহয়, নহয়—এনেকুৱা কাম নকৰিবাচোন?"

ৰাজুৰ কথা শুনি অবাক হৈ পৰা বিমলাই ক'লে, "এই জাবৰবোৰ ঘৰত সাঁচি থৈ কি লাভ?

ৰাজুৱে কৈছিল, "এই পৃথিৱীৰ কোনো বস্তুৱেই পেলনীয়া নহয়, যিকোনো বস্তু এসময়ত কামত লাগিবই। কেতিয়া কোনটো বস্তু কি কাৰণে কাৰ আৱশ্যক হ'ব কোনেও ক'ব নোৱাৰে।"

বিমলাই কৈছিল, "এইবোৰ জাবৰ-জোথৰেৰে তুমি যে কিখন মহৎ কৰ্ম কৰিবা—তুমিহে জানা। মোৰ মতে এইবোৰ জঘন্য লেতেৰা আৰু একেবাৰে অলাগতিয়াল বস্তু।"

বিমলাৰ কথাৰ উত্তৰত ৰাজুৱে শান্ত কণ্ঠেৰে ক'লে, "তুমি এইবোৰ মূল্য বুজা নাই বুলিহে এনেকৈ কৈছা। শুনা, এইবোৰ বস্তু কিন্তু এসময়ত পইচাৰে কিনি আনিছোঁ, বস্তুবোৰ এনেয়ে আমাৰ ঘৰলৈ অহা নাই। পইচাৰে কিনি অনা বস্তু পেলাই দিয়াৰ অৰ্থ হ'ল পইচাৰ অপচয়।" তাৰ পাছত ৰাজুৱে বিমলাৰ কাণৰ আগত আন কিছুমান যুক্তিও দাঙি ধৰি বিমলাৰ মুখত ভালকৈ সোপা দিলে।

তাৰ পাছতো একেদৰেই বছৰৰ পাছত বছৰ পাৰ হ'ল। কিন্তু ৰাহিয়াল

ৰাজুৰ সেই আপুৰুগীয়া বস্তুবোৰ কেতিয়াও কোনো কাৰণতে কাৰো কানো কামত নাহিল ; ঘৰটো কেৱল দ'মে দ'মে আৱৰ্জনাৰে বাঢ়িল।

এদিন বিমলাৰ বান্ধৱী এজনী বিমলাক চাবলৈ আহিল। আহি ইকথা-সিকথা বহুত কথা পতাৰ পাছত বান্ধৱী বিনীতাই ক'লে. "বোলোঁ ঐ—বিয়াৰ আগতে তই দেখোন ঘৰ-দুৱাৰ ফু মাৰি ভাত খাব পৰাকৈ চাফা কৰিছিলি সদায়, এতিয়ানো এনে হাবিয়নিহেন হ'ল কিয় ?"

বিমলাই ৰব শলঠেকত পৰা যেন পালে। গিৰিয়েকৰ নিন্দা কৰেনো কেনেকৈ ? তাই মিছা কথা এষাৰকে ক'লে, "দোষ মোৰেই। এতিয়া সেইজনী ময়েই যিকোনো কামকে যম দেখাদি দেখোঁ, এনেকৈ উধুল-ধুলকৈ থাকোঁ।"

বান্ধৱী গুচি যোৱাৰ পাছত বিমলাই ৰাজুক চেপেনাই চেপি ধৰা দি ধৰিলে। কিন্তু চেপাৰ মুখত পৰি ৰাজুৱে ঘেং কৰি উঠিল আৰু ক'লে, "এইবোৰ বস্তু পেলাই দিম কিয় ? তুমি ক'লেই, মই ওলোটা গীত গামনে ? এইবোৰ ঘৰত থকাত তোমাৰনো কি হানি হৈছে ? তুমি ঘোচামৰ জৰী হ'লা বুলিয়েই মোক তুমি ঘোঁটে ঘোঁটে পানী খুৱাবা—সেইটো কিন্তু নহৈছে কৈছোঁহে মই।"

এদিন বিমলাৰ ভায়েক বিনন্দ আহিল তাৰ বাইদেউক চাবলৈ। বিনন্দ আছিল অতি বুদ্ধিমান ল'ৰা। বিমলাই বিনন্দক ৰাজুৰ এনেবোৰ লেতেৰা অভ্যাসৰ কথা ক'লে ৰাজুৰ এনেবোৰ অভ্যাসৰ, পৰিৱৰ্তনৰ বাবে বিনন্দৰপৰা সহায় আৰু বিচাৰিলে।

বিনন্দই অলপ পৰলৈ ভাবি-গুণি, ৰাজুৰ ঘৰৰ আটাইবোৰ কোঠা ভালকৈ চাই-মেলি বায়েক বিমলাক ক'লে, "বাই-দেউ, তোমাৰ এই সমস্যাৰ সমাধান হৈ যাব।" বিনন্দই বিমলাক যিটো উপায়ৰ কথা ক'লে, সেই উপায়ৰ কথা

শুনি তাই ভয়হে খালে। কিন্তু বুদ্ধিমান বিনন্দৰ বুদ্ধিৰ ওপৰত আস্থা থকা হেতুকে তাই বিনন্দৰ বুদ্ধিমতে কাম কৰিবলৈ মান্তি হ'ল।

সদায় পৰীক্ষা কৰাৰ দৰে সিদিনাও ৰাতি দুৱাৰ-খিৰিকীবোৰ ভালকৈ পৰীক্ষা কৰাৰ অন্তত ৰাজুৱে শুলেগৈ। ৰাতি খোৱা-বোৱাৰ অন্তত বিনন্দ শুইছিলগৈ আন এটা আছুতীয়া কোঠাত।

মাজনিশা হঠাৎ এটা শব্দ উঠিল আৰু লগে লগে ৰাজু সাৰ পাই গ'ল। সৰ পাই, ৰাজুৱে বিমলাক টোপনিৰপৰা জগালে আৰু শোৱাকোঠাৰ দুৱাৰ খুলি পাকঘৰলৈ বুলি খোজ লওঁতেই ক'লা মুখা পিন্ধা এটা কদাকাৰ মানুহ ৰাজুৰ সমুখত বুকু ফিন্দাই থিয় দিলেহি। হঠাৎ মুখাপিন্ধা মানুহটোৱে বটল এটা ভাঙি, সেই ভঙা বটলটোৰ একাল ৰাজুৰ বুকুত হেঁচি ধৰি ক'লে, "চিঞৰিছা যদি—মৰিছা। একদম চুপচাপ এই খুটাটোৰ ওচৰত থিয় হোৱাহি কৈছোঁ—নহ'লে মৰিবাই মৰিবা কৈছোঁহে।"

মুখাপিন্ধাৰ মূৰ্তি দেখি চূৰ্তি হেৰাই ৰাজুৱে ভেড়া এটিৰ দৰে খুটাৰ ওচৰত থিয় হ'লগৈ। ঘৰৰ একুকত টুকুৰা-টুকুৰি ৰছী দ'মাই থোৱা আছিল। মুখাপিন্ধা মানুহটোৱে মাছৰ তেলেৰে মাছ ভজাৰ দৰে ৰাজুৱে গোটোৱা ৰছীৰে ৰাজুক আৰু

লগতে বিমলাকো কটকটীয়াকৈ বান্ধিলে। তাৰ পাছত ৰাজুৰপৰা চন্দুকৰ চাবি খুজি লৈ, চাবিৰে চন্দুক খুলি, টকা-পইচা, গহনা-পাতি ছুটা টোপোলাত বান্ধি পাকঘৰত থৈ দিলে। তাৰ পাছত মুখাপিন্ধাই ঘৰত দ'মাই থোৱা ৰাজুৰ মৰমৰ মূল্যৱান বস্তুবোৰ ঘৰৰ দুৱাৰমুখত দ'মাই থৈ ৰাজুক ক'লে, "আজি মই ভুলতে মোৰ ডেগাৰ আৰু ৰছী লৈ ওলোৱা নাছিলোঁ। কিন্তু তোমাৰ ঘৰত সোমাই এই বটল, ৰছী আদি সকলো বস্তু পালোঁ বাবেহে তোমালোকক বন্ধাত একো টান পোৱা নাই। প্ৰতিখন ঘৰৰ গৰাকীৰ এনে অভ্যাস থকাহেঁতেন আমি চোৰবিলাকে ডেগাৰ-ৰছী আদি বস্তু লৈ ওলাবলগীয়া নহ'লহেঁতেন।"

তাৰ পাছত মুখাপিন্ধাই পুনৰ ক'লে, "এতিয়া মই তোমাৰ ঘৰত জুই লগাম। এয়ে মোৰ অভ্যাস। আৰু তোমাৰ ঘৰত দ'ম খাই থকা ইমান সহজদাহ্য বস্তু আছে যে জুই দিয়াৰ লগে লগে জুই লৌ লৌ কৰে জ্বলি উঠিব। বৰ ভাল পাওঁ মই এনেবোৰ দৃশ্য চাই।"

ৰাজুৱে আৰ্তনাদ কৰি কৈ উঠিল, "মই গোটেই জীৱনকাল ধৰি যিখিনি ধন-সোণ সাঁচিছিলোঁ—নিলাই, আকৌ ঘৰটোতনো জুই লগাবা কিয়? এই কাম নকৰিবা, কাবৌ কৰিছোঁ, নকৰিবা।"



"এয়ে মোৰ অভ্যাস।" মুখাপিন্ধাই ক'লে, "চুৰিৰ পাছত জুই, নাথাকে বাই-ৰুই।" এই কথা কোৱাৰ অন্তত মুখা-পিন্ধাই জুই লগাবলৈ ধৰোঁতেই বিমলাই কান্দি উঠিল। কিন্তু মুখাপিন্ধাই জাবৰৰ দ'মত জুই লগাই ধন-সোণৰ টোপোলা ছুটা লৈ গুচি যাবলৈ ধৰিলে। তেতিয়া ৰাজু চিঞৰি উঠিল। পাছ মুহূৰ্তত ধন-সোণৰ সেই টোপোলা ছুটা হাতত লৈ বিনন্দ দৌৰি আহিল। বিনন্দই ক'লে, "মই চোৰটোক খেদি গৈছিলোঁ, সি উপায় নাপাই টোপোলা ছুটা দলিয়াই পেলাই দৌৰি পলাই গ'ল।"

বিমলাই খঙতে ৰাজুক কৈ উঠিল, "এই অথন্তৰৰ বাবে তুমিহে দায়ী। চোৰে আমাৰ ঘৰতে আমাক বন্ধাৰ ৰছী পালে, বটল পালে—বুলিয়েইহে এই কাণ্ড হ'বলৈ পালে। এইবোৰ এদিন নহয়-এদিন কাম দিব বুলি কৈছিলা যে—আজি সেই কাম দিলে। ঘৰত জুই লগাহেঁতেন আৰু বঢ়িয়াকৈ কাম দিলে-হেঁতেন।" বিমলাৰ কথাৰ একো উত্তৰ নিদিয়াকৈ ৰাজু মনে মনে থাকিল।

পাছত ৰাজুৱে ক'লে, "চোৰে মোক চকু দান দিলে।"

"তেনেহ'লে—এতিয়া তোমাৰ এইবোৰ লেতেৰা বস্তু গোটোৱাৰ তথা অতি সাৱধানতাৰ অভ্যাস এৰা, তেতিয়া আৰু এনেবোৰ লণ্ডভণ্ড লটিঘটি নঘটিব। দীপাৱলিত জ্বলোৱা জুইবাজী—মানে—ফুলজাৰিৰ পোৰা তাঁৰবোৰ যে সাঁচি থৈছিলা, সেইবোৰ তাঁৰেৰে চোৰটোৱে ঘৰৰ দুৱাৰৰ খিলিডাল খুলিছিল।"

এই ঘটনাৰ পাছৰপৰা ৰাজুৰ বিৰাট পৰিৱৰ্তন হ'ল। ৰাজুৱে আগৰ দৰে আজে-বাজে বস্তুবোৰ গোটাই নৰখা হ'ল। গিৰিয়েকৰ এই অভ্যাসৰ সম্পূৰ্ণ পৰিৱৰ্তন হোৱা দেখি বিমলাই বিমল আনন্দ পালে।



চমজদাৰ

মাধৱশৰ্মা নামৰ এগৰাকী বিখ্যাত চিত্ৰশিল্পী আছিল। তেওঁ অঁকা চিত্ৰ ডাঙৰ ডাঙৰ জমিদাৰ আৰু অন্যান্য চহকী লোকসকলে কিনিছিল।

এইবাৰ চিত্ৰশিল্পী মাধৱশৰ্মাই দুটা ষাঁড় যুঁজি থকাৰ চিত্ৰ এখন আঁকিলে। চিত্ৰখন ইমানেই জীৱন্ত তথা প্ৰাণৱন্ত হৈছিল যে মাধৱশৰ্মাৰ গুণগ্ৰাহীসকলে একবাক্যে চিত্ৰখনৰ শলাগ ল'লে।

পঞ্চমুখে গুণগ্ৰাহীসকলৰ প্ৰশংসা শুনি মাধৱশৰ্মাই ইমান ভাল পালে যে তেওঁলোকক এনিশা ভোজ খাবলৈ নিমন্ত্ৰণ কৰিলে আৰু পাটৰ কাপোৰত চিত্ৰখন স্থাপন কৰি চন্দনকাঠেৰে বন্ধাই থ'লে তেওঁলোকৰ আগত পুনৰ প্ৰদৰ্শন কৰিবলৈ।

তাৰ পাছত চিত্ৰখন দেশৰ ৰজাক প্ৰদৰ্শন কৰিবলৈ মাধৱশৰ্মাৰ মন গ'ল।

আৰু ভবা মতে, চিত্ৰখন আৰু তেওঁৰ গুণগ্ৰাহী কেইজনমানকো লগত লৈ মাধৱশৰ্মা ৰাজধানীলৈ বুলি গৈ থাকিল।

বাটত এখন গাঁও পৰিল। এই গাঁও পাই গুণগ্ৰাহী এগৰাকীয়ে মাধৱশৰ্মাক ক'লে, "শৰ্মা ডাঙৰীয়া, এনে অপূৰ্ব চিত্ৰখন গাঁৱৰ ৰাইজক দেখুৱালে ভাল হ'ব। সিহঁতে বুজি পাওক—আপুনি কিমান ডাঙৰ শিল্পী।"

গুণগ্ৰাহীৰ কথাত মাধৱশৰ্মাই তৎক্ষণাৎ সেই ষাঁড় যুঁজৰ চিত্ৰখন উলিয়াই আনি তাত গোটখোৱা গাঁৱৰ ৰাইজক দেখুৱাই ক'লে, "মোৰ ওচৰত আৰু বহুতো চিত্ৰ আছে। পিছে—আটাইবোৰৰ অৰ্থ তোমালোকে বুজি নোপোৱা। সেই দেখি

ৰণজয় সিংহ

এইখনকে উলিয়ালোঁ। এইখন অতি বাস্তৱধৰ্মী চিত্ৰ, সহজেই বুজি পাবা।” বাৰু, কোৰাচোন কেনে পাইছা?”

কিন্তু চিত্ৰখনলৈ ৰ' লাগি ভেবাটি হৈ চাই থাকিও গাঁৱৰ ৰাইজ নিমাতে থাকিল। মাধৱশৰ্মাই কিবা এটা প্ৰশ্ন কৰিবলৈ ধৰোঁতে গাঁৱলীয়া ডেকা এজনে হো হোৰাই হাঁহি উঠিল। এই হাঁহিত এক প্ৰচ্ছন্ন তাচ্ছিল্যৰ ভাব ফুটি ওলাইছিল। মাধৱশৰ্মাৰ উঠিল খং। তেওঁ ডেকাক ভেকাহি মাৰি কৈ উঠিল, “হেৰ ঐ কন্দপৰাটো, তই চিত্ৰশিল্প কাক বোলে তাৰ 'ক'টাও জাননে? বুজি পাৱনে? বুৰ্বকৰ দৰে হাঁহিলি যে—তাৰ মানে? চিত্ৰখন বাস্তৱধৰ্মী নহয়নে কি? কচোন শুনো? তই কিমান চমজদাৰ চাওঁ।”

“হয়তো! বাস্তৱেই। চিত্ৰখন তেনেই সহজ-সৰল চিত্ৰ।” ডেকাজনে কৈয়েই পুনৰ হো হোৰাই হাঁহি উঠিল।

মাধৰশৰ্মাৰ গুণগ্ৰাহী এজনে ডেকাটোক সুধিলে, “তুমি এওঁৰ বিষয়ে কিবা জানানে? এওঁ বিখ্যাত চিত্ৰশিল্পী মাধৰশৰ্মা। ডাঙৰ ডাঙৰ ৰজা, জমিদাৰ আৰু চহকী লোক-সকলে বহু মুদ্ৰাৰে এওঁৰ চিত্ৰ কিনে। এওঁৰ চিত্ৰ চাই ইঁহাটো অসভ্যামি হৈছে।”

গুণগ্ৰাহীৰ কথাৰ উত্তৰত গাঁৱলীয়া হালোৱা ডেকাটোৱে কৈ উঠিল, “শুনক ডাঙৰীয়া, ষাঁড়ে যুঁজোঁতে তাৰ নেজডাল টান লাঠি এডালৰ দৰে পোনায় আৰু ঘনে ঘনে পকায়। কিন্তু এই চিত্ৰখনত যুঁজি থকা ষাঁড়ৰ নেজডাল ভয় খোৱা বাটৰ কুকুৰৰ দৰে পোকৰৰ ভিতৰত সোমোৱা দেখিহে মোৰ হাঁহি উঠিছে।”

ডেকাটোৰ কথা শুনি তাত গোট-খোৱা ৰাইজ গিৰ্জনি মাৰি হাঁহি উঠিল আৰু শিল্পী মাধৰশৰ্মাই চিত্ৰখন নিমিষতে বাকচত ভৰাই লৈ গুণগ্ৰাহীকেইজনৰ সৈতে সেই গাঁও এৰি তৎক্ষণাৎ ঘৰমুৱা হ'ল।



৯

রাজকুঁৱৰী কান্তিমতীয়ে
তেওঁৰ পিতাকৰ বন্দীত্বৰ কথা
কোৱাৰ পাছত সসৈন্য চিত্ৰসেন কপিলপুৰলৈ
গ'ল। চিত্ৰসেনে ভালকৈ পৰ্য্যবেক্ষণ কৰি দেখা
পালে যে ৰাজকুঁৱৰী কান্তিমতীৰ পিতৃদেৱক বন্দী কৰি থোৱা
প্ৰাসাদৰ চাৰিওফালে শত্ৰুসৈন্যৰ কটকটীয়া পহৰা বিদ্যমান। আৰু তদুপৰি,
প্ৰাসাদৰ ওপৰত সেই ভয়ংকৰ বিচিত্ৰ চৰাই দুটা পাক খাই খাই উৰি ফুৰা দেখি
চিত্ৰসেন বিশেষকৈ উগ্ৰাক্ষ চিন্তিত হৈ পৰিল। তেতিয়া অমৰপালে ক'লে যে জুই দেখামাত্ৰেই
এই চৰাই দুটা পলাই যায়, এতেকে জোঁৰ দুটা জলাই ল'লেই হ'ব। আৰু তাৰ পাছত···

অমৰপালৰ কথা চিত্ৰসেনে বিশ্বাস কৰিলে। কিন্তু উগ্ৰাক্ষ আশ্বস্ত নহ'ল। উগ্ৰাক্ষই ক'লে, "জ্বলি থকা জোঁৰ দেখিলেই এই বিৰাট চৰাইবোৰে পলাই ফাট—সঁচাকৈয়েই মাৰিবনে? কথাটো কেনেবা কেনেবা যেন লাগিছে মোৰ ··।"

"কিন্তু জোঁৰ আছেনে বাৰু আমাৰ?" চিত্ৰসেনৰ এই কথা শুনি কেইজনমান সৈন্যই দীঘল খৰিৰ আঁটি লৈ দ্ৰুততাৰে তেওঁৰ কায পালেহি। খৰি হ'ব জোঁৰ।

'চান্দমামা'



তেতিয়া অমৰপালে চিত্ৰসেনক ক'লে, "মহাৰাজ, এতিয়া আপোনাৰপৰা নিৰ্দেশ পোৱামাত্ৰেই জোঁৰ জ্বলোৱা হ'ব আৰু এই প্ৰাসাদ চাৰিওফালৰপৰা আগুৰি ধৰা হ'ব। নিৰ্দেশ লাগে।"

অমৰপালৰ কথা শুনি উগ্ৰাক্ষই হাত চাপৰি ৰজাই তাৰ অনুচৰহঁতক মাতিলে।

*

উগ্ৰাক্ষই তাৰ অনুচৰহঁতক ক'লে, "তোমালোকে এই প্ৰাসাদটো চাৰিও-ফালৰপৰা আগুৰি ধৰিবা। যিহঁত প্ৰাসাদৰ ঘাই দুৱাৰৰ ওচৰত থাকিবা, সিহঁতৰ কাম হ'ব সেই দুৱাৰ যেনেতেনে ভঙা। বাকী-বিলাকে প্ৰাসাদৰ দেৱালৰ মাটি সিন্ধি খন্দাদি গছৰ ডালেৰে খান্দি থাকিবা, প্ৰাসাদৰ দেৱাল ভাঙি পেলাব লাগিব।"

তাৰ পাছত উগ্ৰাক্ষই চিত্ৰসেনক ক'লে, "মহাৰাজ, কেৱল ঘাই দুৱাৰেদিয়েই নহয়, প্ৰাসাদলৈ সোমোৱা যিমান বাট আছে, সকলো বাটেদিয়েই আমাৰ অনুচৰহঁত গৈ সোমালেহে সহজে কাম হাছিল হ'ব। তাৰ পাছত চৰাই দুটাক খেদিব লাগিব। এই কামটো অমৰপালে নিশ্চয় কৰি পাৰিব।"

"একেবাৰে চিন্তা নকৰিবা, একদম ভয় নাখাবা, উগ্ৰাক্ষ। তোমাক ৰক্ষা কৰাৰ দায়িত্ব মই ল'লোঁ।" অমৰপালে তাৰ অনুচৰহঁতক ইচাৰা কৰিলে।

*

হঠাৎ উগ্ৰাক্ষই তাৰ বিৰাট গধূৰ শিলৰ টাঙোনটো দাঙি ধৰি অমৰপালক ক'লে, "মুখ চম্ভালি কথা ক'বা, হাৰামৰ নেগুৰ অমৰপাল। তুমি এটা মানুহ হৈ মোকনো কেনেকৈ ৰক্ষা কৰিবাহে? বেলবেলাই বৰ বৰ কথা নক'বা কৈছোঁ।"

"উগ্ৰাক্ষ!" ৰাজকুঁৱৰী কান্তিমতীয়ে বিৰক্তিৰে ভুৰু কোঁচাই উগ্ৰাক্ষক ক'লে, "উগ্ৰাক্ষ, তোমালোকে যদি এনেকৈ কাজিয়া-বিবাদ কৰি থাকা, তেনেহ'লে

মোৰ বন্দী দেউতাৰ অৱস্থা কি হ'ব কোৱাচোন? বন্দীৰ জীৱনত যিকোনো মুহূৰ্ততে চৰম দুৰ্ঘটনা ঘটিব পাৰে।" তাৰ পাছত কান্তিমতীয়ে চিত্ৰসেনকো ক'লে, "মহাৰাজ, আপোনালোকে এইদৰে অবাবতে সময় নষ্ট কৰে যদি—মোৰ দেউতাক মুক্ত কৰি অনাৰ যি আশ্বাস দিছিল, সেই আশ্বাস কাৰ্য্যকৰী হোৱাৰ আগতে তেওঁৰ মৃত্যুও ঘটিব পাৰে।"

চিত্ৰসেনে মূৰ দুপিয়াই ক'লে, "ঠিক ঠিকেই।" তাৰ পাছত উগ্ৰাক্ষলৈ চাই পুনৰ ক'লে, "উগ্ৰাক্ষ, তুমি যে ৰাক্ষসহঁতৰ মাজত শ্ৰেষ্ঠ, সেই কথাত সন্দেহ নাই। গতিকে—অমৰপালৰ ওপৰত বীৰত্ব প্ৰদৰ্শন নকৰিলেও হ'ব। তুমি যদি প্ৰকৃততেই বীৰ, তেনেহ'লে এই প্ৰাসাদ পৰ দি ৰৈ থকা শত্ৰুসৈন্যৰ ওপৰত আৰু সেই ভয়ংকৰ চৰাই দুটাৰ ওপৰতো টাঙোন জোকাৰি চোৱাগৈ।"

চিত্ৰসেনৰ কথা শুনি উগ্ৰাক্ষৰ মুখত বীৰত্বৰ আভাস পৰিস্ফুট হ'ল। তাৰ নিৰ্দেশত ৰাক্ষস-অনুচৰহঁতে বিৰাট বিৰাট গছৰ ঠাল ভাঙি আনি প্ৰাসাদৰ দেৱাল ভঙাৰ কামত লাগি পৰিল। আৰু ইহঁতৰ লগত বিক্ৰমী মহাৰাজ চিত্ৰসেনৰ সৈন্যহঁতেও হাত উজান দিলে।

মুহূৰ্ততে পৰিস্থিতিৰ সলনি হৈ পৰিল। চাওঁতে চাওঁতে প্ৰাসাদৰ দেৱাল বালি-ঘৰ খহাদি খহি পৰিল আৰু চিত্ৰসেনৰ সৈন্যসকলৰে সৈতে ৰাজকুঁৱৰী কান্তিমতী প্ৰাসাদৰ ভিতৰলৈ সোমোৱাৰ যো-জা কৰিলে। কান্তিমতী চিত্ৰসেনৰ পিছে পিছে গৈ থাকিল, উগ্ৰাক্ষই তাৰ শিলৰ টাঙোন জোকাৰি বীৰ বিক্ৰমৰে শত্ৰু-সৈন্যক খতম কৰি থাকিল।

কিন্তু প্ৰাসাদৰ ভিতৰ সোমাওঁতে অৱস্থা বিষম বিপৰীত হৈ উঠিল। শ'ই শ'ই কাঁড় ক'ৰবাৰপৰা যেন বায়ুবেগে উৰি আহি সেই ঠাইত পৰি থাকিল।

চিত্ৰসেনৰ সৈন্যহঁতেও কঁড়িয়াই থাকিল। উগ্ৰাক্ষৰ অনুচৰহঁত প্ৰাসাদৰ প্ৰধান দুৱাৰ পালেগৈ। সিহঁতে গছৰ ঠাল আৰু সৰুসুৰা গছবোৰো উভালি আনি সেই-বোৰেৰে প্ৰচণ্ড বিক্ৰমেৰে দুৱাৰ ভাঙিবলৈ ধৰিলে। কিছুমান অনুচৰে বিৰাট বিৰাট শিলৰ চটাৰে দুৱাৰ-দেৱাল খুন্দি গুড়ি কৰাৰ চেষ্টা কৰি থাকিল।

আৰু এনেতে হঠাৎ ধুমুহা উঠা যেন লাগিল। সকলোটিয়েই খন্তেকলৈ থমকি ৰৈ অবাক দৃষ্টি মেলি আকাশলৈ চালে। পাছ মুহূৰ্ততে আটায়েই বুজি পালে যে এয়া প্ৰকৃততে প্ৰাকৃতিক ধুমুহা নহয়, সেই ভয়ংকৰ চৰাই দুটাই সিহঁতৰ বিৰাট বিৰাট ডেউকা কোবাই তললৈ নামি আহিবলৈ ধৰোঁতেহে এনেকৈ ধুমুহাৰ দৰে কোবাল বতাহৰ সৃষ্টি হৈছে।

*

এই দৃশ্য দেখি অমৰপালে জোঁৰ দাঙি ধৰি চিঞৰি চিঞৰি ক'লে, "এই চৰাই-বিলাকক ভয় নকৰিবা, জ্বলি থকা খৰিকাঠ দলিয়াই থাকা!"

অমৰপালৰ নিৰ্দেশমতে সৈন্যহঁতে চৰাই দুটালৈ জ্বলি থকা জোঁৰবোৰ দলিয়াবলৈ ধৰিলে আৰু গাত জুই লগাৰ লগে লগে গগনফলা বিকট আৰ্তনাদ কৰি চৰাই দুটাই পুনৰ আকাশৰ পিনে ডেউকা মেলি দিলে। এই চৰাই দুটাৰ পিঠিৰ ওপৰত বহি থকা বাঘছাল পিন্ধা জ্বালা-দ্বীপিয়াহঁতে চৰাই দুটাৰ ডিঙিত শূলেৰে খুচি থাকিল তললৈ নামিবলৈ আৰু সৈন্যহঁতৰ ওপৰত জঁপিয়াই পৰিবলৈ; কিন্তু জুই দেখি চৰাই দুটাই একোপধ্যে আৰু তললৈ ননমা হ'ল। তেতিয়া এটা চৰাইৰ পিঠিত বহি থকা জ্বালা-দ্বীপিয়াই শূলেৰে বাৰে বাৰে খুচিবলৈ ধৰাত চৰাইটোৱে হঠাৎ চিৎভোলোঙা খালে আৰু জ্বালাদ্বীপিয়াটো শূন্যৰপৰা তললৈ পৰিলহি। তাৰ পাছত চৰাই দুটা

CHITRA



সেই ঠাইৰপৰা উধাও হৈ গ'ল। চিন-মোকামো নোহোৱা হৈ পৰিল আৰু উগ্ৰাক্ষয়ো জীৰ ঘূৰাই পোৱা যেন পালে।

নাগবৰ্মাৰ সোঁহাত আছিল এই চৰাইবোৰ। চৰাইবোৰৰ ভৰসাতহে চুকত থাকি বুকত খোৱা হঠাৎৰজা নাগবৰ্মাই চল পাই চাপৰি বাব পাৰিছিল। কিন্তু এতিয়া চৰথৰীয়াত পৰিল। চিংভোলোও খাই পিঠিৰপৰা সেই জ্বালাদ্বীপিয়াটোক চৰাইটোৱে বগৰাই পেলোৱা চকুৰ আগত দেখা পাই নাগবৰ্মাৰ নাকৰ পানী চকুৰ পানী একে যেন হোৱাৰ উপক্ৰম হ'ল। চৰাইবিলাকৰে যিস্থলত ইমান ভয়াতুৰ অৱস্থা নাগবৰ্মাক এতিয়া আৰু কোনেনো ক'বহি— নাকান্দ ছলি পাবি, বাপেৰে গৈছে কল ৰুবলৈ, থোক পৰিলে খাবি। কোনে ক'ব? নাগবৰ্মাই নিয়াৰিৰ মূৰ পালে:

ইতিমধ্যে প্ৰাসাদৰ সমুখত গোট-খোৱা চিত্ৰসেনৰ সৈন্যইতৰ মুখে, আৰু উগ্ৰাক্ষ আৰু অমৰপালৰ অনুচৰইঁতৰ মুখে কপিলপুৰৰ মহাৰাজৰ জয়ধ্বনি শুনি নাগ-বৰ্মাৰ সৈন্যইত থৰ-কাচুটি হেৰুৱাই যি যেনিয়েদি পাৰিলে পলাবলৈ ধৰিলে। আৰু---উগ্ৰাক্ষৰ অনুচৰইঁত প্ৰাসাদৰ দেৱাল ভাঙি ভিতৰ সোমালগৈ।

শত্ৰুক পৰ্যুদস্ত কৰাৰ বাবে চিত্ৰসেনে যিমান আয়োজন কৰিছিল, তাৰ তুলনাত প্ৰায় একো নকৰাকৈয়েই কাম সিজিল! ক'বলৈ গ'লে বিনা যুদ্ধে প্ৰাসাদ অধিকাৰ কৰা হ'ল।

কিন্তু কপিলপুৰৰ মহাৰাজ বীৰ-সিংহদেৱক প্ৰাসাদৰ কোনখিনিত বন্দী কৰি থোৱা হৈছে—তেতিয়ালৈকো কোনেও তাৰ শুং-সূত্ৰ নোপোৱা হ'ল। চিত্ৰসেনে কেইটামান কক্ষ তন্ন তন্নকৈ পৰীক্ষা কৰি চালে; কিন্তু সিংহদেৱক বিচাৰি নাপালে। তেতিয়া চিত্ৰসেনে ভাবিলে: তেনেহ'লে—সলিসিয়ান নাগবৰ্মাই ৰজা

বীৰসিংহদেৱক কেনেবাকৈ কেনিবাদ্দি প্ৰাসাদৰপৰা উলিয়াই লৈ গ'লনে কি? কিন্তু কান্তিমতীয়ে ৰজা চিত্ৰসেনক পুনৰ এই প্ৰসাদৰ চুকে-কোণে পাতি পাতিকৈ পৰীক্ষা কৰি চাবলৈ অনুৰোধ কৰিলে।

*

বহুতোপৰলৈকে বহুসংখ্যক সৈন্যই বিত বিতৈক বিচাৰি থকাৰ পাছত হঠাৎ এঠাইৰপৰা গোঁ গোঁৰনিৰ শব্দ শুনা গ'ল। নিস্তব্ধ বন্ধ কক্ষ এটাৰপৰা এনে শব্দ ওলোৱাত সৈন্যইঁতে মহাৰাজ বীৰসিংহৰ নামত জয়ধ্বনি দিলে আৰু সেই বন্ধ কক্ষটোৰ পিনে দৌৰি গ'ল। এই জয়-ধ্বনি শুনি চিত্ৰসেন আৰু কান্তিমতী তালৈ লৰৰি গ'ল।

এই কক্ষটোৰ দুৱাৰত নাৰিকল এটাৰ আকাৰৰ এটা তলা ওলমি আছিল। কিছুমান সৈন্যই চিত্ৰসেনক ক'লে, "মহাৰাজ, এই তলাটোৰ এটা চাবি যেনেতেনে আনিব লাগিব, কিয়নো, নাৰিকল এটাৰ দৰে ইমান ডাঙৰ তলা ভঙাটো অসম্ভৱ কথা।"

"তোমালোক বলিয়া হ'লানে কি? সিয়নিত শোৱা নাগবৰ্মাই তোমালোকৰ কাৰণে এই বিৰাট তলাটোৰ চাবি ক'ৰবাত থৈ গ'ল বুলি ভাবিছানে কি?" এই কথা কৈ, চিত্ৰসেনে লোৰ মাৰি এডাল হাতত লৈ প্ৰকাণ্ড তলা ওলমি থকা সেই দুৱাৰৰ ওচৰলৈ গৈ থাকিল।

তেতিয়া উগ্ৰাক্ষই ক'লে, "ইমান ডাঙৰ তলাটো ভঙাতকৈ এই কক্ষৰ দুৱাৰ ভাঙি পেলোৱাটো সহজ কাম হ'ব যেন পাইছোঁ।" এই বুলি কৈ, উগ্ৰাক্ষই তাৰ শিলৰ টাঙোনেৰে এই কক্ষৰ দুৱাৰ ভাঙি পেলালে। দুৱাৰ ভঙাৰ লগে লগে চাকি হাতত লৈ ভালেমান সৈন্য কক্ষৰ ভিতৰলৈ সোমাই আহিল। মহাৰাজ বীৰসিংহদেৱৰ অৱস্থা দেখি সকলোটি স্তম্ভিত হৈ পৰিল। মহাৰাজ বীৰসিংহৰ

ভৰি দুখন বিৰাট মোটা লোৰ শিকলিৰে কটকটীয়াকৈ বন্ধা। তেওঁৰ মুখতো এসোপা ফটা কানি ভৰাই দিয়া হৈছে।

কান্তিমতীয়ে “দেউতা—!” বুলি আৰ্তনাদ কৰি উঠি মহাৰাজ বীৰসিংহৰ কাষ পালেগৈ। চিত্ৰসেনে প্ৰথমেই মহাৰাজ বীৰসিংহৰ মুখৰপৰা সেই ফটাকানিসোপা উলিয়াই পেলালে আৰু উগ্ৰাক্ষই মহাৰাজ বীৰসিংহৰ হাত-ভৰি বন্ধা লোৰ শিকলি-টুকুৰা-টুকুৰ কৰি পেলালে।

মহাৰাজ বীৰসিংহদেৱে কান্তিমতীক বুকুত আঁকোৱালি লৈ ক'লে, “আই মোৰ, এই জনমত তোক আৰু দেখা পাম বুলি ভবাই নাছিলোঁ। মোৰ সকলো শেষ হ'ল বুলিহে ভাবিছিলোঁ।”

চিত্ৰসেনে মহাৰাজ বীৰসিংহক খোৱা-পানী দিলে। বীৰসিংহদেৱে পানী খোৱাৰ অন্তত কান্তিমতীক সুধিলে, “আই, মহাদুষ্ট নাগবৰ্মা মৰিল নে তাক বন্দী কৰা হ'ল?”

কান্তিমতীয়ে চিত্ৰসেনলৈ চালে এই এই কথাৰ উত্তৰ বিচাৰি। চিত্ৰসেনে মহাৰাজ বীৰসিংহক ক'লে, “মহাৰাজ, মোৰ নাম চিত্ৰসেন। আপুনি হয়তো ক'ৰবাত কেতিয়াবা মোৰ সম্পৰ্কে কিবা-কিবি শুনিছিল।” তাৰ পাছত চিত্ৰসেনে উগ্ৰাক্ষলৈ আঙুলিয়াই মহাৰাজ বীৰসিংহক পুনৰ ক'লে, “এই ৰাক্ষসৰ নাম উগ্ৰাক্ষ। নাগবৰ্মা ইয়াত নাই, ধৱলগিৰি আক্ৰমণ কৰিবলৈ ঢপলিয়াই গৈছে। পিছে—তাক উচিত কড়ি বুকুত গুৰি দিয়াৰ বাবে ধৱলগিৰিলৈ যোৱা বাটতে আটক কৰিবলৈ মই কিছুমান সৈন্যৰে সৈতে মোৰ সেনাপতিক ধূৰ্ত নাগবৰ্মাৰ পিছ খেদি যাবলৈ আৰু তাক যেনেতেনে ধৰিবলৈ প্ৰেৰণ কৰিছোঁ। মহাৰাজ ধৱল-গিৰিৰ সিংহাসনত মোৰ পূজ্য পিতৃদেৱ অধিষ্ঠিত।” [অহা সংখ্যাত

প্ৰকৃত চিকিৎসক

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালৰপৰা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, নীৰৱে-নিমাতে শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, শিয়ালৰ হোৱা আৰু ফেঁচাৰ কুকলিৰ মাজেদি এনে গভীৰ নিশা অকলশৰে শ্মশানলৈ বুলি গৈ আছা—এই গমনেই তোমাৰ দৃঢ় সংকল্পৰ কথা প্ৰকাশ কৰে। কিন্তু তোমাৰ এই অভাৱিত শ্ৰমৰ উদ্দেশ্য যিমানেই সৎ নহওক, কেদাৰনাথৰ দৰে বুদ্ধি-বিবেচনা আৰু জগত-সংসাৰ সম্পৰ্কে সম্যক জ্ঞান নাথাকিলে তোমাৰ ঈপ্সিত ফললাভ নহ'বো পাৰে। কেদাৰনাথৰ কাহিনী শুনিলেহে মোৰ এই মন্তব্য যাথাৰ্থ্য

'বেতাল-কথা'



উপলব্ধি কৰিব পাৰিবা। এই কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ পথশ্ৰমো কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে সেই কাহিনী ক'বলৈ ধৰিলে:

চন্দ্ৰপুৰৰ ৰজাৰ নাম আছিল চন্দ্ৰসিংহ। ৰজা চন্দ্ৰসিংহৰ জীয়েকৰ নাম কুমুদিনী। ৰাজকুঁৱৰী কুমুদিনীৰ কঠিন অসুখ ৰাজ-বৈদ্যনাথসকলে আপ্ৰাণ চেষ্টা কৰিও ভাল কৰিব নোৱাৰিলে। তেতিয়া ৰজাই আন দেশৰপৰা চিকিৎসক অনালে। কিন্তু তথাপি ৰাজকুঁৱৰী কুমুদিনী ভাল হৈ নুঠিল। ৰজা চন্দ্ৰসিংহক নিৰাশাই ক্ৰমাত আগুৰি ধৰিলে। ৰাজকুঁৱৰী কুমুদিনী যে আৰু ভাল হৈ নুঠিব, এই ধাৰণা দৃঢ়ভাৱে তেওঁৰ মনত শিপালে।

এই অৱস্থাত ৰজা চন্দ্ৰসিংহৰ মহা-মন্ত্ৰীয়ে পৰামৰ্শ আগবঢ়ালে: কুমুদিনীক ভাল কৰি তুলিব পৰাজনৰ সৈতে কুমুদিনীক বিবাহ আৰু আধা ৰাজত্বো দিয়া হ'ব বুলি ঘোষণা কৰা হওক।

মহামন্ত্ৰীৰ পৰামৰ্শ ৰজাই মানি ল'লে, দেশ-বিদেশত এই ঘোষণা প্ৰচাৰ কৰিবলৈ নিৰ্দেশ দিলে। এই ঘোষণাৰ কথা শুনি বহুদূৰ দূৰ দেশৰপৰাও বেজ-বৈদ্যসকল ঢপলিয়াই আহিল। কোনোবাই ৰোগ নিৰ্ণয় কৰিব পৰা বুলি কৈ দৰব দিলে, কোনোবাই একো ধৰিব নোৱাৰিলে। সকলো বেজ-বৈদ্যয়েই ব্যৰ্থ হ'ল।

এই দৰে বহু দিন পাৰ হোৱাৰ অন্ততো যেতিয়া ৰাজকুঁৱৰীৰ বেমাৰ ভাল নহ'ল, তেতিয়া স্বয়ং ৰজাও প্ৰায় শয্যাগত হৈ পৰিল। মনৰ দুখত ৰজায়ো মৰণতে শৰণ লোৱাৰ বাট ল'লে। আৰু এনেতে কেদাৰনাথ নামৰ যুৱক এজন ৰজাৰ কাষ চাপিল, আৰু কেদাৰনাথে ৰাজকুঁৱৰীৰ বেমাৰ সঠিককৈ ধৰিব পাৰিলে।

পুংখাণুপুংখ পৰীক্ষাৰ অন্তত কেদাৰ-নাথে ৰজাক ক'লে, "মহাৰাজ, ৰাজ-কুঁৱৰীৰ বেমাৰ মই ধৰিব পাৰিছোঁ।

পিছে—এই বেমাৰ ভাল কৰিবলৈ যিবিধ গছৰ শিপাৰ আৱশ্যক, সেইবিধ গছ এতদঞ্চলত নাই। একমাত্ৰ নাগপৰ্বতৰ নামনিত যি অৰণ্য আছে, সেই অৰণ্যতহে পোৱা যাব। মই সেই গছৰ শিপা আনিবলৈ তালৈ এতিয়াই ৰাওনা হ'ম।"

নাগপৰ্বতৰ নামনিত থকা অৰণ্যত যিখিনি শিপা গোটাব পাৰিলে, তাৰে ৰাজকুঁৱৰীকহে কেৱল ভাল কৰি তুলিব আন কোনো এজন বেমাৰীকো ভাল কৰা নাযাব।

যি কি নহওক, শিপাখিনি গোটাই লৈ কেদাৰনাথ ৰংমনে চন্দ্ৰপুৰলৈ উভতি গ'ল। ৰাজপ্ৰাসাদত সোমাওঁতে কেদাৰনাথে লক্ষ্য কৰিলে যে প্ৰাসাদৰ উদ্যানত কাম কৰি থাকোঁতে এজন বুঢ়া মালী হঠাৎ আৰ্তনাদ কৰি উঠিল আৰু মাটিত বাগৰি পৰিল। কেদাৰনাথে বুঢ়া মালীক পৰীক্ষা কৰি চালেগৈ। ৰাজকুঁৱৰীৰো এই একেটাই বেমাৰ; কিন্তু বুঢ়াক এতিয়াই দৰব নিদিলে বুঢ়া মৰিব। মুহূৰ্ততে কেদাৰনাথে সকলো পাহৰি বৃদ্ধক সেই শিপাখিনি শিলত পিহি খুৱাই দিলে। বৃদ্ধ তৎক্ষণাৎ ভাল হৈ উঠিল।

এই ঘটনাৰ কথা ৰাজপ্ৰাসাদতো প্ৰচাৰিত হৈ পৰিল। প্ৰচাৰিত হৈ পৰিল যে—কেদাৰনাথে ৰাজকুঁৱৰীৰ কাৰণে বিচাৰি অনা শিপাখিনি সেইজন বুঢ়া





মালীক ভাল কৰি তোলোঁতে গ'ল।

কেদাৰনাথ পুনৰ নাগপৰ্বতলৈ ৰাওনা হোৱাৰ আগতে আনুপূৰ্বিক ঘটনা বিবৰি ক'বলৈ মহাৰাজ চন্দ্ৰসিংহৰ ওচৰলৈ গ'ল।

কেদাৰনাথৰপৰা কথাখিনি শুনাৰ অন্তত ক্ৰুদ্ধ ৰজাই ক'লে, "ৰাজকুঁৱৰী যেতিয়া মৃত্যুপথযাত্ৰী, তেতিয়া তুমি এক নগণ্য বুঢ়া মালীক ৰাজকুঁৱৰীৰ বাবে অনা দৰবেৰে ভাল কৰি তুলিলা। ৰাজকুঁৱৰীৰ প্ৰাণৰ মূল্যতকৈ বুঢ়া মালী এটাৰ মূল্য তোমাৰ ওচৰত অধিক। দুজনক ভাল কৰি তোলাৰ জোখাৰে শিপা যে তোমাৰ ওচৰত নাছিল, তুমি জানিও এই কাম কৰিলা। পুনৰ সেই শিপা অনাৰ আগতেই ৰাজকুঁৱৰীৰ মৃত্যু ঘটিব পাৰে। তুমি ক্ষমাৰ অযোগ্য অপৰাধ কৰিছা।" ৰজাই সেনাপতিক তৎক্ষণাৎ মতাই অনাই নিৰ্দেশ দিলে, "এই দেশদ্ৰোহীক এই মুহূৰ্ততে ফাঁচীৰ জৰীত ওলোমাই দিয়া।"

ৰজাৰ নিৰ্দেশমতে কেদাৰনাথৰ ডিঙিত ফাঁচীৰ জৰী পিন্ধাই দিয়া হ'ল। তেতিয়া কেদাৰনাথে ক'লে, "মহাৰাজ, মোক পুনৰ সেই শিপা বিচাৰি আনিবলৈ সাতদিন সময় দিয়ক। এই সাতদিনৰ ভিতৰত যে ৰাজকুঁৱৰীৰ মৃত্যু নহ'ব, সেই কথাত মই নিশ্চিন্ত। মই মোৰ গুৰুৰ নামত শপত খাই কৈছোঁ।"

কিন্তু কেদাৰনাথৰ কথালৈ ৰজাই কৰ্ণপাতো নকৰিলে। ফাঁচীৰ পূৰ্ব মুহূৰ্তত সেই বুঢ়া মালী হেঁফাই ফোঁপাই ৰজাৰ আগত আঁঠু কাঢ়ি বহি দিলে আৰু কাবৌ-কাকুতিৰে ৰজাক ক'লে, "মহাৰাজ, মই বৃদ্ধ, মোৰ প্ৰাণৰ কোনো মূল্য নাই। কিন্তু এই যুৱক-চিকিৎসকৰ প্ৰাণৰ মূল্য আছে। যি-কাৰণে এওঁক ফাঁচী দিয়া হৈছে, সেই কাৰণৰ বাবে দায়ী মই। মোক ফাঁচী দি আপুনি দয়া কৰি তেওঁক মুক্তি দিয়ক, মহাৰাজ!"

কেদাৰনাথে কৈ উঠিল, "মহাৰাজ,



এই বৃদ্ধক মই মৃত্যুমুখৰপৰা ঘুৰাই আনিছোঁ। গতিকে—এওঁক মোৰ সলনি ফাঁচী দিয়াৰ কথাত মই কদাপি মান্তি নহওঁ। মই আকৌ নিবেদন কৰোঁ মহাৰাজ, মোক মাত্ৰ সাতদিনৰ সময় দিয়ক, তাৰ পাছত ৰাজকুঁৱৰী অৱশ্যেই ভাল হৈ উঠিব। অৱশ্যে ৰাজকুঁৱৰীৰ বেমাৰ ভাল নহৈ মৃত্যু হ'লেও মোৰ মৃত্যু যদি আপোনাৰ ওচৰত অধিক কাম্য হয়—দিয়ক মোক ফাঁচী।"

কেদাৰনাথৰ দ্বিতীয় অনুৰোধে ৰজাক দোধোৰ-মোৰত পেলাই দিলে। তেতিয়া মহামন্ত্ৰীয়ে ৰজাক ক'লে, "মহাৰাজ, কেদাৰনাথক সাতদিনৰ সময় দিব পাৰে। তেতিয়া ৰাজকুঁৱৰী মংগল হ'ব।"

মহামন্ত্ৰীৰ পৰামৰ্শ ৰজাই মানি ল'লে। কেদাৰনাথক সেই শিপা আনিবলৈ সাতদিনৰ সময় মঞ্জুৰ কৰা হ'ল।

ফাঁচীৰ জৰীৰপৰা ওলাই আহিয়েই কেদাৰনাথ নাগপৰ্বতকৈ বুলি ৰাওণা হ'ল। তিনিদিনৰ পাছত সেই শিপাৰে সৈতে কেদাৰনাথ পুনৰ উভতি আহিল আৰু দীৰ্ঘকাল ধৰি শয্যাশায়ী হৈ থকা ৰাজকুঁৱৰীক ভাল কৰি তুলিলে।

বহু বছৰৰ অন্তত ৰাজকুঁৱৰী উঠি বহিল আৰু এসপ্তাহমানৰ পাছত তেওঁ সম্পূৰ্ণ স্বাভাৱিক জীৱন ঘূৰাই পোৱা হ'ল। ৰজা চন্দ্ৰসিংহৰ মনত আনন্দৰ পাৰ-কূল নোহোৱা হ'ল।

তাৰ পাছত, ঘোষণাৰ চৰ্ত অনুযায়ী ৰজা চন্দ্ৰসিংহই তেওঁৰ জীয়েকক কেদাৰনাথৰ সৈতে বিয়া দিবলৈ আৰু ৰাজত্বৰো অৰ্ধাংশ চিকিৎসক কেদাৰনাথক অৰ্পণ কৰিবলৈ যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰাৰ বাবে ৰাজকীয় নিৰ্দেশ প্ৰদান কৰিলে। কেদাৰনাথক তাৰ গাঁৱৰ ঘৰৰপৰা ৰাজকীয় আড়ম্বৰেৰে লৈ আহিবলৈ ৰাজধানীলৈ মহামন্ত্ৰীক ক'লে।

ৰজাৰ নিৰ্দেশ মতে স্বয়ং মহামন্ত্ৰী গ'ল

কেদাৰনাথৰ গাঁৱলৈ কেদাৰনাথক আদৰি আনিবলৈ। কিন্তু কেদাৰনাথক তেওঁৰ গাঁৱৰ ঘৰত বিচাৰি পোৱা নগ'ল, সিদিনাই কেদাৰনাথে ঘৰ-দুৱাৰ এৰি গুচি গৈছিল।

এই কাহিনী কোৱাৰ অন্তত বেতালে পুনৰ বিক্ৰমাদিত্য সুধিলে, "হে ৰজা, কেদাৰনাথ যে অসাধাৰণ বৈদ্য আছিল সেই কথাত অলপো সন্দেহ নাই। দেশ-বিদেশৰ কোনো বৈদ্যয়েই ভাল কৰিব নোৱৰা বেমাৰীক কেদাৰনাথে ভাল কৰি তুলিছিল। এনেহেন বৈদ্য এজন নিশ্চয় বুদ্ধিমান হ'ব। অথচ কেদাৰনাথে ৰাজ-কুঁৱৰীক আৰু অৰ্ধ-ৰাজত্ব গ্ৰহণ নকৰি গুচি গ'ল! এয়া বুদ্ধিমানৰ দৰে কাম হ'লনে? কেদাৰনাথে নিজক ৰাজকুঁৱৰীৰ তথা ৰাজত্বৰ অযোগ্য বুলি ভাবি তেনেকৈ গুচি গৈছিলনে? মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ জনা সত্বেও যদি নিদিয়া তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "কেদাৰনাথে ৰাজ-কুঁৱৰী আৰু ৰাজত্বৰ অৰ্দ্ধাংশ পোৱাৰ আশাত ৰাজকুঁৱৰীৰ চিকিৎসা কৰা নাছিল; কৰিছিল এজন দায়িত্বশীল চিকিৎসক হিচাপেহে। পুৰস্কাৰ প্ৰাপ্তি কেদাৰনাথৰ উদ্দেশ্য হোৱাহেঁতেন ৰাজকুঁৱৰীৰ সলনি বৃদ্ধ মালীক চিকিৎসা নকৰিলেহেঁতেন। প্ৰকৃত চিকিৎসকৰ কাম পুৰস্কাৰ প্ৰাপ্তি নহয়, জীৱন ৰক্ষা কৰা। বৃদ্ধ মালীৰ জীৱন ৰক্ষা কৰাৰ পাছত ৰাজকুঁৱৰীৰ জীৱনো ৰক্ষা কৰি কেদাৰনাথে পুৰস্কাৰ প্ৰাপ্তিলৈ ভ্ৰূক্ষেপ নকৰি চিকিৎসক হিচাপে এই দৃষ্টান্ত উজ্জ্বল দাঙি ধৰিছিল যে প্ৰকৃত চিকিৎসকৰ একমাত্ৰ কাম হ'ল মানুহৰ জীৱনদান।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত





জুলীয়া কথা

দেশৰ নাম তৃণলোক। এই দেশৰ সকলো মানুহেই কৃষক। এতেকে দেশৰ ৰাইজৰ অভাৱ-অনাটন বোলা একো নাছিল। সময়মতে বৰুণদেৱতাই যেনিবা নিজেই আকাশ জুৰি ডাৱৰ পঠিয়াই বৰষুণ দিয়াইছিল। তাৰ ফলত তৃণলোকত খেতিবাতি বৰ ভাল হৈছিল।

তৃণলোকদেশৰ প্ৰজাবৰ্গই অন্যান্য দেৱ-দেৱীক পূজিছিল; কিন্তু মেঘৰ দেৱতা বৰুণক কেতিয়াও পূজা নকৰিছিল।

তৃণলোকৰ অধিবাসীসকলৰ এনে অৱহেলামূলক মনোভাৱ দেখি মেঘ-বিলাকৰ এদিন বৰ খং উঠিল।

অনেক দূৰৰ কোনোবা দেশত গোট খাই মেঘবোৰে সিদ্ধান্ত ল'লে যে এইবাৰ তৃণলোকদেশত সিহঁতে এটোপাল বৰষুণো নিদিব। এনে আওহেলাৰ পোটক তুলিব।

বৰষুণ নোহোৱাত তৃণলোকত হাহাকাৰ উঠিল। তৃণলোকৰ আকাশ সম্পূৰ্ণ মেঘহীন। মেঘ-ডাৱৰৰ কাৰণে তৃণলোকৰ প্ৰজাবৰ্গই আঁঠু ল'লে। এই দৃশ্যই মেঘবোৰক বৰ আনন্দ দিলে।

আৰু ঠিক তেতিয়াই এটি ঘটনা ঘটিল। সৰু এটুকুৰা মেঘে তৃণলোকলৈ গৈ পুটুক্‌কৈ অলপমান বৰষুণ দিলেগৈ। কথাটো সি আন মেঘবোৰক নক'লে।

লগে লগে তৃণলোকদেশৰ প্ৰজাবৰ্গই তিনি নাচ মাৰি খেতি-পথাৰ পালেগৈ। সৰু মেঘটুকুৰাই তৃণলোক দেশত বৰষুণ দিয়াৰ কথা জানিব পাৰি ডাঙৰ মেঘ-বিলাকে তাক ডবিয়াই ক'লে, "তুমি আমাক নোকোৰাকৈ এই কাম কিয়

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’

কৰিলা ? তোমাৰ বুদ্ধিভ্ৰংশ হ'লনে কি ?”

“শুনা, মোৰ যিকণ বুদ্ধি আছে, তোমালোকৰ সেইকণ বুদ্ধিও নাই। মই অলপমান বৰষুণ দিয়াত তৃণলোকদেশৰ প্ৰজাহঁতে আগ-পাছ নাভাবি-নুগুণি সিহঁতৰ ঘৰত থকা আটাইখিনি ধানেৰে ধানখেতি কৰিলে। এতিয়া সিহঁতৰ ঘৰত এমুঠি ধানো নাই। মই যে এইদৰে সিহঁতৰ ধানৰ ভঁৰাল উদি কৰিলোঁ, তাৰ বাবে মোক ধন্যবাদহে দিব লাগিছিল। কিন্তু এইকণ বুদ্ধিও তোমালোকৰ নাই।” সৰু মেঘটুকুৰাই ডাঙৰবোৰক ক'লে।

তৃণলোকদেশৰ প্ৰজাহঁতৰ অৱস্থা চাই আহিবৰ মনেৰে ডাঙৰ মেঘবিলাক তালৈ গ'ল। ইতিমধ্যে খাদ্যৰ অভাৱত তৃণলোকদেশত হাহাকাৰ উঠিল। কিয়নো কাৰো ঘৰতে এমুঠি ধানো নাছিল। এই অৱস্থাতত প্ৰজাবৰ্গই বৰুণদেৱতালৈ কাতৰ প্ৰাৰ্থনা জনাবলৈ ধৰিলে।

তৃণলোকদেশৰ প্ৰজাই বৰুণদেৱতালৈ প্ৰাৰ্থনা জনোৱাত ডাঙৰ মেঘবোৰে কোমল কাটিলে। তেতিয়া ডাঙৰ মেঘবোৰে সৰু মেঘটুকুৰাক ক'লে, “ডাঙৰহঁতক নকৈ-নেমেলি আৰু কেতিয়াও এনে অধৰ্ম কৰ্ম নকৰিবা। প্ৰজাহঁতৰ অৱস্থা কিমান বেয়া হ'ল দেখিছানে ?” এই বুলি কৈ ডাঙৰ মেঘবোৰে বৰষুণ দিলে তাত।

তেতিয়া প্ৰজাবৰ্গৰ মনত দৃঢ় ধাৰণা হ'ল যে বৰুণদেৱতালৈ খাটিলে বৰষুণ দিয়ে। তেতিয়াৰপৰা তৃণলোক দেশৰ প্ৰজাসৱে সদায় বৰুণদেৱতাক মনে-চিতে পূজিছিল। তেতিয়াৰপৰা তৃণলোক দেশত কেতিয়াও বৰষুণ নোহোৱাকৈ নাছিল।

কিন্তু এইবোৰ ঘটনাৰ গুৰিত যে আছিল সেই সৰু মেঘটুকুৰা, ডাঙৰ মেঘহঁতে সেই কথালৈ মনেই নকৰিলে। সৰু মেঘে নিজেও নজনাকৈয়েই দুষ্টালিৰে বৃষ্টিৰ সৃষ্টি কৰি সৃষ্টিৰক্ষা কৰিছিল।



আমাৰ দেশৰ বিচিত্ৰ কথা

চিতোৰগড়

আমাৰ দেশৰ বিখ্যাত দুৰ্গ বা গড়বিলাকৰ মাজত অন্যতম হ'ল চিতোৰগড়। ৰাজস্থানৰ এটি পাঁচশ ফুট ওখ পাহাৰৰ ওপৰত এই গড় অৱস্থিত। কথিত আছে যে ভীমেও এই দুৰ্গত কিছুকাল অতিবাহিত কৰিছিল।

এই দুৰ্গত চিত্ৰাংগদ নামৰ এগৰাকী মৌৰ্য্য ৰজাই তেওঁৰ ৰাজধানী পাতিছিল। তেওঁ এই পাহাৰটোক চিত্ৰকূট পৰ্বত বুলি নামকৰণ কৰিছিল। পৰৱৰ্তী কালত এই চিত্ৰকূট নামৰ পৰাই 'চিতোৰ' হিচাপে জনাজাত হৈছিল।



অষ্টম শতিকাত এই দুৰ্গত মেৱাৰৰ ৰাণা বংশীয় শাসক সকলে ৰাজধানী স্থাপন কৰিছিল। ত্ৰয়োদশ শতিকাত ৰাণা প্ৰতাপ মেৱাৰৰ ৰাণা আছিল। ৰাণা প্ৰতাপৰ ভুৱনবিদিত সুন্দৰী পত্নী পদ্মিনীক বলেৰে অপহৰণ কৰি লৈ যাবলৈ দিল্লীৰ পাদছাহ আলাউদ্দীন খলজীয়ে চিতোৰগড় আক্ৰমণ কৰিছিল।

কিন্তু একোপধ্যে আলাউদ্দিন খলজীয়ে চিতোৰ দুৰ্গত সোমাব নোৱাৰি পাহাৰৰ নামানিত দাপোণৰ মাজত পদ্মিনীৰ মুখ-সৌন্দৰ্য্য দেখাৰ প্ৰস্তাৱ দিয়াত ৰাণা ৰতন সিং খলজীৰ এই প্ৰস্তাৱত মান্তি হ'ল। ৰাণা ৰতন সিঙে আলাউদ্দিনক লগ ধৰাৰ লগে লগে আলাউদ্দিনৰ সৈন্যইতে ৰতন সিংক বন্দী কৰিলে।

ৰাণী পদ্মিনী আলাউদ্দিনৰ ওচৰলৈ নাহিলে ৰাণা ৰতন সিংক হত্যা কৰা হ'ব—এই বাতৰি পাই, সাতশ অনুচৰ লগত লৈ পদ্মিনী আলাউদ্দিনৰ ওচৰলৈ যাবলৈ ওলোৱা বুলি আলাউদ্দিন খলজীলৈ বাতৰি পঠোৱা হ'ল। চিতোৰ দুৰ্গৰপৰা সাতশ দোলা ওলাই আহিল।

পদ্মিনীক দেখাৰ অধীৰ আগ্ৰহৰে আলাউদ্দিন খলজী য'ত বৈ আছিল, তাত সাতশ দোলাৰপৰা চৌধ্যশমান ৰাজপুত ওলাই আহিল আৰু মুহূৰ্ত্তে উভয় পক্ষৰ মাজত যুদ্ধ লাগি পৰিল। খলজীৰ বহু সৈন্য মৰিল। ৰাণা ৰতন সিং মুক্ত হ'ল, আৰু খলজী পালাল।

লাজে-অপমানে থকা-সৰকা হোৱা আলাউদ্দিন খলজীয়ে এবছৰৰ অন্তত পুনৰ চিতোৰগড় আক্ৰমণ কৰিলে। ৰাজপুত সৈন্যসকলে বীৰৰ দৰে যুঁজি মৃত্যুক আঁকোৱালি ল'লে আৰু অসংখ্য ৰাজপুত নাৰীৰে সৈতে পদ্মিনীয়ে অগ্নিত আত্মজাহ দিলে।

চিতোৰৰ অন্যতম ৰজা ভোজৰাজক কৃষ্ণ-সাধিকা মীৰাবাঈয়ে বিবাহ কৰিছিল। ৰজাই কৃষ্ণৰ উপাসনাৰ বাবে কৃষ্ণ-সাধিকা মীৰাবাঈৰ কাৰণে এটি অতি বিতোপন কৃষ্ণমন্দিৰ সাজি দিছিল।

চিতোৰৰ ৰাজকোঁৱৰক হত্যা কৰাৰ বাবে এটা বিশ্বাসঘাতক সংগোপনে চিতোৰ দুৰ্গলৈ সোমোৱাৰ কথা জানিব পাৰি পান্না নামৰ লিগিৰী এজনীয়ে নিজৰ সন্তানক ৰাজকোঁৱৰ বুলি দেখুৱালে আৰু প্ৰকৃত ৰাজকোঁৱৰক লুকাই ৰাখিলে। হত্যাকাৰীয়ে পান্নাৰ সমুখতে পান্নাৰ সন্তানটিক হত্যা কৰিলে।



১৪৪৮ অব্দত মহাকুম্ভ ৰাণা নিৰ্মিত জয়-স্তম্ভ জগদ্বিখ্যাত। গুজৰাটৰ শাসক কুতবউদ্দিনশাহক পৰাজিত কৰাৰ নিৰ্দশন ৰূপে এই জয়স্তম্ভ নিৰ্মিত হৈছিল।

মহাকুম্ভ ৰাণাৰ প্ৰাসাদ চিতোৰ দুৰ্গৰ অন্যতম বিস্ময়কৰ দ্ৰষ্টব্য। এই বিচিত্ৰ প্ৰাসাদৰ ভিতৰত প্ৰবেশ কৰা অসাধ্য। এই প্ৰাসাদৰপৰা বাহিৰলৈ ওলোৱা সুড়ংগ পথ বহু দূৰলৈকে বিয়পা। এই প্ৰাসাদ য'ত অৱস্থিত তাতেই ৰাণী পদ্মিনীয়ে আত্মজাহ দিছিল।





ইয়াত কালী গোসাঁনীৰ মন্দিৰো এটি আছে। কোনে কোনো বিশেষজ্ঞৰ মতে, এই কালী গোসাঁনীৰ মন্দিৰ আগতে হেনো সূৰ্য্য মন্দিৰ আছিল।



মাটি ছুলে সোণ

কোনোবা এজন খেতিয়কৰ এটি ল'ৰা আছিল। নিচেই সৰুতেই ল'ৰাটোৰ মাক ঢুকাল। মাক ঢুকোৱাৰ কেইবছৰমানৰ পাছত খেতিয়ক নিজেও টান বেমাৰত পৰিল আৰু মৰণৰ দিন চমু চাপি অহা বুলি ভাবি পুতেকক ক'লে, "বোপা, কথা এটা কওঁ, মই তোমাৰ কাৰণে একো থৈ যাব নোৱাৰিলোঁ। তথাপি, মই তোমাক মনে-চিতে আশীৰ্বাদ দিছোঁ, তুমি মাটি ছুলেই সোণ হ'ব।"

*

তাৰ পাছত এদিন খেতিয়ক ঢুকাল। তেতিয়া ল'ৰাটোৱে তাৰ মাক-দেউতাকক সুঁৱৰি দিনে-নিশাই কাম-বন কৰিবলৈ ধৰিলে। এইদৰে কিছুদিনৰ অন্তত সি এডৰা আঙুৰখেতিৰ মালিক হ'ল।

কেইবছৰমানৰ পাছত ফলৰ বাগান এখন কিনিলে, মাছ মৰা নাও কিনিলে, তেল পেৰা ঘানি কিনিলে। এতিয়া লাভেই লাভ। কিছুদিনৰ ভিতৰত সি হৈ উঠিল নগৰৰ অন্যতম ডাঙৰ ধনী মানুহ। যিকোনো কাৰবাৰত ধৰিলেই তাৰ লাভৰো উপৰি লাভ হয়।

তাৰ পাছত সি এগৰাকী ধনিকৰ ছোৱালীক বিয়া কৰালে। তাৰ অভাৱ বোলা একো নাথাকিল। ইহা-মতা কৰি সি হেলাৰঙে দিন যাপিবলৈ ধৰিলে।

*

কিন্তু হঠাৎ এদিন তাৰ মনত এক আশংকাই মূৰ দাঙি উঠিল। সি তাৰ বন্ধু এজনক ক'লে, "মই মোৰ শক্তি

'গ্ৰীকদেশৰ সাধু'



সামৰ্থ্যতকৈয়ো অধিক পাইছোঁ, ওনা-ওনে সাঁচিছোঁ, ধন-সোণৰ কথা মোৰ মনতো নাহে ইমানেই পাইছোঁ মই। কিন্তু ইমান সহজভাৱে পোৱাত এতিয়া এটা আশংকাই মনত বাহ লৈছে যে, সহজে অৰ্জা ধন সহজেই নষ্ট হৈ যায় যদি! যদি তেনেকুৱা কিবা হয়েই, কেনেকৈ হ'ব পাৰে মোক ভাবি-গুণি কোৱাচোন।"

বন্ধুজনে অলপ পৰলৈ ভাবি চালে। তাৰ পাছত সুধিলে, "খেজুৰ ক'ৰপৰা আহে কোৱাচোন?"

"আহে—সেই মিছৰদেশৰ ৰাজধানী কায়ৰোৰপৰা।" সি তাৰ বন্ধুক ক'লে।

"কেনেহ'লে এটা কাম কৰা। ইয়াত বেছি দামেৰে খেজুৰ কিনি সেই খেজুৰ উটৰ পিঠিত উঠাই তালৈ কঢ়িয়াই নি যিমান কম দাম পোৱা সিমানেই কম দামত বেচি দিয়াগৈ।" বন্ধুৱে ক'লে।

*

তাৰ বন্ধুৰ পৰামৰ্শমতে পাছদিনা নগৰলৈ গৈ খেতিয়কৰ ল'ৰাই সেই নগৰৰ আটাইখিনি খেজুৰ কিনি লৈ, উটৰ পিঠিত বোজাই কৰি, ধীৰে-সুস্থিৰে আশাৰে কায়ৰোলৈ বুলি ৰাওনা হ'ল।

ভালেমান দিনলৈ খোজকাঢ়ি যোৱাৰ পাছত সি পিৰামিড অঞ্চল পালেগৈ। পিৰামিডবিলাকলৈ চাই সি অবাক হৈ তাতে ৰৈ দিলে।

ঠিক তেতিয়াই বগা ঘোঁৰাৰ পিঠিত উঠি মিছৰদেশৰ ৰজা সেই পিনে আহি আছিল। ৰজাৰ লগত ৰাণী আৰু বহু বহুসংখ্যক সৈন্য আছিল। সৈন্যহঁতৰ প্ৰতিজনৰ হাতত এখনকৈ চালনী আছিল। খেতিয়ৰ ল'ৰাই ৰজাক কুৰ্নিছ [ছালাম] কৰি ক'লে, "বেয়াদবি মাফ কৰিব, আপোনাৰ প্ৰতিজন সৈন্যৰ হাতত এখনকৈ চালনী থকাৰ অৰ্থনো কি?"

ৰজাই ক'লে, "আজি ৰাতিপুৱা ঘোঁৰাত উঠি এই ফালেদিয়েই গৈ

থাকোঁতে মোৰ ছাদীৰ [বিয়াৰ] আঙঠিটো ক'ৰবাত হেৰাল। আঙঠিটো মোৰ অতি মৰমৰ আঙঠি। আঙঠিটো বিচাৰি নোপোৱালৈকে চালনীৰে বালি সৰকাবলৈ নিৰ্দেশ দিছিলোঁ।"

তাৰ পাছত ৰজাই খেতিয়কৰ ল'ৰাটোক সুধিলে, "পিছে—তুমিনো কাইৰ'লৈ কিয় গৈ আছা?"

খেতিয়কৰ ল'ৰাটোৱে ক'লে, "মই খেজুৰ বেচিবলৈ কায়ৰোলৈ গৈ আছোঁ।"

মিছৰদেশৰ ৰজাই অবাক হৈ ক'লে, "কাইৰ'ত খেজুৰ বেচিবা! এইফালে চোৱাঁ—একো একোটা গছত কিমান খেজুৰ দেখিছানে? এজোপা গছৰ খেজুৰ বুটলি লওঁতে তোমাৰ কমেও দুদিন, নহ'লেও এদিন পাৰ হৈ যাব। তুমি কাইৰ'ত এপাচি খেজুৰৰ দাম হিচাপে মাত্ৰ এটা তামৰ মুদ্ৰাহে পাবা। তোমাৰ এই কাৰবাৰত ঢেৰ লোকচান হ'ব।"

সৈন্যসকলেও এই অজলা খেতিয়কৰ ল'ৰাটোৰ কথা শুনি তাচ্ছিল্যৰে হাঁহিলে।

খেতিয়কৰ ৰজাক ল'ৰাটোৱে ক'লে, "মহাৰাজ, মোৰ লোকচান নহ'ব বুলি ভাবিহে মোৰ ভয় হৈছে। মোৰ আব্বাজানৰ [দেউতাৰ] আশীৰ্বাদ অনুসাৰে—মই মাটি ছুলে সোণ হ'ব।" এই বুলি কৈ, খেতিয়কৰ ল'ৰাটোৱে এমুঠি বালি হাতত ল'লে আৰু পাছমুহূৰ্ততে তাৰ হাতত বালিৰ সলনি এটা সোণৰ আঙঠি দেখা গ'ল।

ৰজাই কৈ উঠিল, "এয়ে দেখোন মোৰ সেই হেৰোৱা আঙঠিটো!"

ৰজাই খেতিয়কৰ ল'ৰাটোক প্ৰচুৰ সোণৰ মুদ্ৰা উপহাৰ দিলে।

যিজন খেতিয়কৰ ল'ৰাই লোকচান ভৰিবলৈ কায়ৰোলৈ গৈ আছিল, পৰি-শেষত ধন-সোণৰ বোজা উটৰ পিঠিত উঠাই পুনৰ নিজ দেশলৈ উভতি আহিল।

চিলাই

কটকিনা গোপালৰ টকাৰ অভাৱ নাছিল ; কিন্তু অভাৱ আছিল উদাৰতাৰ। তাৰ এই কটকিনালিৰ সীমা-পৰিসীমা নাছিল। কটকিনা গোপালে তাৰ পুতেক নেপালকো তাৰ দৰে গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল—যাতে নেপালো ডাঙৰ হৈ কৰাইচবো কৰাইচ হয়।

এবাৰ কটকিনা গোপালে পূজাৰ দিনত পুতেক নেপালক চোলাৰ কাপোৰ আনি দিলে। দৰ্জিক কেনেকৈ ফাঁকি দিব লাগিব নেপালক শিকাই-বুজাই চোলা চিলোৱাবলৈ ধৰ্মৰাজ দৰ্জিৰ দোকানলৈ তাক যাবলৈ ক'লে।

কিন্তু পূজাৰ দিনা পুতেকে আওপুৰণি চোলা পিন্ধা দেখি গোপালে ভ্ৰূ কোঁচাই সুধিলে, "কি অ', তই নতুন চোলা নিপিন্ধিলি কেলেই ?"

"বেচ নিদিলে চোলা নিদিব দৰ্জিয়ে।" নেপালে ক'লে।

গোপালে ক'লে, "কিয় ? তোক মই যেনেকৈ শিকাই দিছিলোঁ তেনেকৈ কোৱা নাছিলিনে কি ? তই সৰু ল'ৰা বুলি তোৰ হাতত টকা-পইচা নিদিলোঁ মই।"

"তেনেকৈ ময়ো ধৰ্মৰাজক কৈছিলোঁ। কিন্তু মোৰ কথা শুনি ধৰ্মৰাজ দৰ্জিয়ে ক'লে, 'ঠিক আছে, ইমান খৰখেদা কিহলৈ ? তুমি ডাঙৰ হোৱা, তোমাৰ দেউতাৰাই দিয়া টকা-পইচা লৈ আহা, তাৰ পাছত চোলাটো দিম।"

কটকিনা গোপালে কেহৰাজ বটা যেন হৈ চোলা চিলোৱাৰ পইচাখিনি পুতেকৰ হাতত দিলে। চোলা নহয়—গোপালে যেনিবা তাৰ কলিজা চিলাই হোৱা যেন পালে।

উত্তৰ-ৰামায়ণ

বৰুণলোকৰপৰা লংকালৈ উভতি যাওঁতে ৰাৱণে তেওঁৰ পুষ্পক ৰথোপৰি বহু সংখ্যক সুন্দৰী যুৱতীক বলেৰে উঠাই লৈছিল। পুষ্পকৰথৰপৰা সেই সকল যুৱতীৰ করুণ আৰ্তনাদ শুনা গৈছিল। যুৱতীসকলে ৰাৱণক অভিশাপ দি আছিল। কিন্তু এইবোৰ অভিশাপ শুনি ৰাৱণৰ মনত কোনো ধৰণৰ প্ৰতিক্ৰিয়া নহ'ল। ৰাৱণ আছিল অতি কাঠচিতীয়া আৰু উগ্ৰ। ৰাৱণে এইবোৰ অভিশাপলৈ ভ্ৰূক্ষেপো নকৰিলে।

*

অতবোৰ সুন্দৰী যুৱতীৰে সৈতে লংকাপুৰী পোৱাৰ লগে লগে ৰাৱণৰ ভনীয়েক শূৰ্পনখাই ৰাৱণক ককৰ্থনা কৰি ক'লে, "তুমি যেতিয়া যুদ্ধ কৰা, তেতিয়া আপোন-পৰ জ্ঞান নাথাকে, নহয়? কালকেয়হঁতৰ বিৰুদ্ধে যুদ্ধ কৰি থাকোঁতে যে তুমি মোৰ পতিকো মাৰি পেলালা জানিছানে নাই? বিবেক-বুদ্ধি থকা কোনোবাই নিজৰ ভগ্নীৰ স্বামীক বধ কৰেনে?" এইদৰে শূৰ্পনখাই হুৰাওৱাৰে কান্দি কান্দি ৰাৱণক বহু সময় ধৰি ককৰ্থনা-বিকৰ্থনা কৰি থাকিল।

*

"চোৰা ভনীটি, তোমাৰ কথাৰ মাজত মোৰ উত্তৰ আছে। ঠিকেই কৈছা, ৰণত লাগিলে আপোন-পৰ মনত নপৰে।

'মেঘনাদ বিজয়'

আগলৈ ৰণলৈ ওলাম যেতিয়া, তুমিও যাবা আমাৰ খৰৰ লগত। খৰে তোমাক যথেষ্ট যত্নেৰে চোৱা-চিতা কৰিব, তোমাৰ একো অভাৱ নহ'ব, লাগ বুলিলেই সকলো পাবা। খৰক চৈধ্য সহস্ৰ ৰাক্ষসৰ নেতা হিচাপে দণ্ডকাৰণ্যলৈ পঠাম। দণ্ডকাৰণ্য ৰক্ষাৰ ৰক্ষাৰ বাবে দূষণো তালৈ যাব। সকলোটিয়েই তোমাৰ নিৰ্দেশমতে চলিব। তুমি যেনেকৈ ক'বা সিহঁতে নিশ্চিতভাৱেই তেনেকৈ কাম কৰিব।" ৰাৱণে ভনীয়েক শূৰ্পনখাক সকলো কথা পানী পানকৈ বুজাই ক'লে।

ককায়েক ৰাৱণৰ নিৰ্দেশমতে ভনীয়েক শূৰ্পনখাই সুখেৰে খৰ-দূষণৰ সৈতে দণ্ডকাৰণ্যলৈ গৈ কাল কটাবলৈ ধৰিলে।

*

তাৰ পাছত ৰাৱণ গ'ল নিকুম্ভহঁতৰ বনলৈ। তালৈ গৈ ৰাৱণে তেওঁৰ পুত্ৰ মেঘনাদে যজ্ঞ কৰি থকা দেখি ভাল পাই মেঘনাদক বুকুত আঁকোৰলি লৈ ক'লে, ইয়াত তুমি কি কৰিছা, বোপা ?"

ৰাৱণৰ জিজ্ঞাসাৰ উত্তৰত শুক্ৰাচাৰ্য্যই ক'লে, "তোমাৰ পুত্ৰই সাতটি যজ্ঞ কৰিবলৈ সংকল্প লৈছে। অগ্নিষ্টোম, অশ্বমেধ, ৰাজসূয়, গোমেধ, বৈষ্ণৱ আৰু অতি কষ্টকৰ মহেশ্বৰ-যজ্ঞ কৰি শিৱক তুষ্ট কৰি কামগহনচাৰী ৰথ, সৰ্বত্ৰ অন্ধকাৰ সৃষ্টিৰ জাদুশক্তি আৰু অসীম শক্তিসম্পন্ন ধনু-কাঁড় শিৱৰপৰা বৰস্বৰূপে পোৱা হ'ল। সম্প্ৰতি যিখন যজ্ঞ কৰি আছে—সেইখন হ'ল অতিশয় কষ্টকৰ মেঘ-যজ্ঞ।"

*

কিন্তু শুক্ৰাচাৰ্য্যৰ কথা শুনি ৰাৱণ অলপো আনন্দিত নহ'ল। ৰাৱণে আমনি পোৱা যেন হৈ ক'লে, "মই এইবোৰৰ একো অৰ্থ নুবুজোঁ। মিছামিছিকৈ আমাৰ শত্ৰুক পূজি ঢেৰ বস্তু-সামগ্ৰী অবাবতে নষ্ট কৰা হ'ল। চোৱা, মেঘনাদ, তুমি এতিয়ালৈকে যিখিনি পুণ্য আৰ্জিছা,

সেয়ে যথেষ্ট।” এই বুলি কৈ মেঘনাদক লগত লৈ, ক্রুদ্ধ বিৰক্ত ৰাৱণ তাৰপৰা তুপতুপ কৰে গুচি যাবলৈ ধৰিলে।

*

আৰু ঠিক তেতিয়াই বিভীষণে ৰাৱণক দুঃসম্বাদ এটি দিলে। ৰাৱণৰ এজনী সম্পৰ্কীয় ভনীয়েক কুম্ভীনসী ৰাৱণৰ ঘৰতে ডাঙৰ-দীঘল হৈছিল। ৰাৱণৰ মাতৃৰ জেঠাদেউৰ নাম আছিল মাল্যৱন্ত। কুম্ভীনসী হ'ল মাল্যৱন্তৰ নাতিনীয়েক। ৰাৱণৰ অট্টালিকাৰপৰা মধু নামৰ ৰাক্ষস এটাই কুম্ভনসীক পলুৱাই নিলে। তেতিয়া কুম্ভকৰ্ণ আছিল নিদ্ৰাচ্ছন্ন আৰু বিভীষণে তেতিয়া পানীৰ তলত বহি একৰনে তপস্যা কৰি আছিল।

*

ৰাৱণে অসংখ্য সুন্দৰী যুৱতীক অপহৰণ কৰিছিল। কিন্তু তেওঁৰ ঘৰৰপৰা ভনীয়েক কুম্ভীনসীক মধুৱে অপহৰণ কৰাত ৰাৱণ জালিম যেন হৈ উঠিল আৰু তৎমুহূৰ্ততে মধু ৰাক্ষসৰ বাসস্থান মধুপুৰ আক্ৰমণ কৰিবলৈ সদলবলে ৰাওনা হ'ল।

*

এই বাতৰি পাই কুম্ভনসী ভীতা হ'ল। তাইৰ স্বামী এতিয়া মধু। তাই আগবাঢ়ি গৈ ৰাৱণৰ কাষ চাপিলল আৰু ক'লে, “ককাইদেউ, কপালৰ আঁক কোনেও মচিব নোৱাৰে। যি হ'বলগা আছিল হ'ল, গ'ল কথা গুচিল। তুমি দয়া কৰি তেওঁকক্ষমা কৰাঁ, ককাইদেউ, মোক তুমি বিধৱা নকৰিবা।”

ভনীয়েকৰ কাবৌ-কাকুতি শুনি ৰাৱণে কোমল কাটি ক'লে, “ঠিক আছে, তোমাৰ স্বামীক মই বধ নকৰোঁ; কিন্তু মই তাক এবাৰ চাবলৈ বিচাৰোঁ। চাবলৈ বিচাৰো মানে—মই তাক মোৰ লগত স্বৰ্গলৈ লৈ যাম। মই স্বৰ্গৰ দাম্ভিক দেৱতাহঁতক জয় কৰাৰ অন্তত উভতি আহিম।”

ককায়েকৰ কথাত কুম্ভীনসী আনন্দিতা

হ'ল। তাই মধুৰাক্ষসক ক'লেগৈ, "দেৱতা সকলৰ বিৰুদ্ধে ৰণ দিবলৈ ককাইদেউ স্বৰ্গলৈ যাবলৈ ওলাইছে। তেওঁ তোমাক লগত লৈ যাব বুলি কৈছে যেতিয়া— তুমি নিশ্চিন্তে যোৱা। ককাইদেউৰ মৰম পোৱাটো অতি ভাগ্যৰ কথা।"

মধুৱে ৰাৱণক প্ৰণাম কৰি যথোচিত সন্মানৰে সৈতে আহ্বান-আদৰণি জনাই তাৰ যথাকৰ্তব্য পালন কৰিলে।

*

এনিশা তাতে যাপি, পাছদিনা ৰাৱণ কৈলাসলৈ বৈশ্ৰৱ থকা ঠাইলৈ গ'ল। তিমানতে ৰাতি হ'ল, আৰু ৰাৱণৰ সৈন্য-বাহিনীও ৰাতি তাতে ৰৈ দিলে।

*

জোনাক নিশা। জিৰি জিৰিকৈ বতাহ বলি আছিল। কুবেৰৰ প্ৰাসাদৰপৰা অপ্সৰীসকলৰ সুমধুৰ সংগীত শুনা গৈছিল। বতাহত বিভিন্ন ফুলৰ সুগন্ধ ভাহি আহি ঠাইডোখৰ আমোলমোলাইছিল। ৰাৱণে পৰ্বতোপৰি বহি এইবোৰ সংগীত আৰু সৌন্দৰ্য-সুধা উপভোগ কৰি আছিল।

*

ঠিক তেতিয়াই অপ্সৰীশ্ৰেষ্ঠা অতি সুন্দৰী ৰম্ভা ৰাৱণৰ নিদ্ৰামগ্ন সৈন্যহঁতৰ কাষেদি গৈ থাকোঁতে ৰাৱণে আটক-ধুনীয়া ৰম্ভাক দেখা পাই মুগ্ধ সৰ্পৰ দৰে ৰম্ভাৰ কাষ চাপিলহি। ৰাৱণে নভবা-নিচিাকৈ ৰম্ভাৰ হাত এখনত ধৰি ক'লে, "ক'লৈ যোৱা, সুন্দৰী? কালৈ যোৱা? কোন সেই ভাগ্যৱান? তুমি যিজনৰ ওচৰলৈ যাবলৈ ওলাইছা, মই নিশ্চয়-তাতকৈ শক্তিমান। তিনিও-লোকত ময়েই শ্ৰেষ্ঠ। মই তোমাক অনুনয় কৰিছোঁ, তুমি মোৰ লগত ব'লা।"

ৰাৱণৰ এনেবোৰ কদৰ্য্য কথা শুনি ভীতা-লজ্জিতা ৰম্ভাই ক'লে, "আপুনি এনেবোৰ কথা মোক নক'ব। মোক ৰক্ষা কৰাটোহে আপোনাৰ কৰ্তব্য।

সম্পৰ্কৰ ফালৰপৰা মই আপোনাৰ বোৱাৰী হওঁ। আপোনাৰ জ্যেষ্ঠ ভ্ৰাতাৰ পুত্ৰ নলকুবেৰে নিশ্চয়েই মোৰ বাট চাই বহি আছে। তেওঁৰ বাহিৰে ত্ৰিজগতত মই অন্য কোনো পুৰুষৰ কথা নাজানো।”

*

কিন্তু ৰম্ভাৰ কথালৈ ৰাৱণে কাণসাৰ নকৰা হ'ল। ৰাৱণে বিভিন্ন কুপ্ৰস্তাৱ দাঙি ধৰি ৰম্ভাক অধিক লাজত পেলালে। ভয়-দুখে-অপমানে জৰ্জৰিতা ৰম্ভা নলকুবেৰৰ ওচৰলৈ গৈ নলকুবেৰৰ চৰণত ধৰি কান্দি কান্দি ৰাৱণৰ কথা ক'লে।

*

নলকুবেৰে জলস্পৰ্শ কৰি ৰাৱণলৈ অভিসম্পাত প্ৰদান কৰি ক'লে, “এনেবোৰ অপৰাধৰ সীমা নাই। নাৰীৰ ইচ্ছাৰ বিৰুদ্ধে এই অন্যায়-অপমান কৰাৰ ফলস্বৰূপে যেতিয়াই হওক এদিন নিশ্চয় দুৰাত্মা ৰাৱণৰ মূৰ ফাটি সহস্ৰ খণ্ড হ'ব।”

*

নলকুবেৰৰ অভিশাপৰ কথা শুনি ৰাৱণে অপহৰণ কৰি অনা অত্যাচাৰিতা পতিব্ৰতা নাৰীগণে ভাল পালে। এই ঘটনাৰ পাছৰপৰা ৰাৱণে অন্য নাৰীৰ ওপৰত অত্যাচাৰ সম্পূৰ্ণ বন্ধ কৰিলে।

তাৰ পাছত ৰাৱণ সসৈন্যে স্বৰ্গলৈ গৈ থাকিল। বাতৰি পাই, দেৱতাসকলক প্ৰস্তুত থকাৰ নিৰ্দেশ প্ৰদান কৰি দেৱৰাজ ইন্দ্ৰই বিষ্ণুক ক'লেগৈ, “স্বৰ্গ আক্ৰমণ কৰিবলৈ ৰাৱণ বিৰাট সৈন্যবাহিনীৰে সৈতে আহিব ধৰিছে। তুমি তোমাৰ সৈতে আগুৰাই গৈ ৰাৱণৰ বিৰুদ্ধে ৰণ দিব পাৰিবানে?”

“মই এতিয়া তাৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ নহওঁ, কিয়নো ৰাৱণৰ মৃত্যু আমাৰ হাতত নহ'ব। তদুপৰি, তাৰ মৃত্যুৰ সময়ো হোৱা নাই। আপাততঃ তুমি তাক বাধা দিয়া। তোমাৰ একো ভয় নাই।” বিষ্ণুৱে ইন্দ্ৰক বুজাই ক'লে।

দেৱতা আৰু ৰাক্ষসহঁতৰ মাজত প্ৰচণ্ড যুদ্ধ লাগি পৰিল। এই বিষম যুদ্ধত উভয় পক্ষয়েই যথেষ্ট ক্ষতিগ্ৰস্ত হ'ল। ৰাক্ষসহঁতৰ দহভাগৰ মাজত ন'ভাগেই আহত হৈ মৰিল। ইন্দ্ৰই যথেষ্ট দক্ষতাৰে যুদ্ধ কৰি ৰাৱণক জীয়ন্তে ধৰিব পাৰিলে।

*

আৰু ঠিক তেতিয়াই মায়াযুদ্ধৰ আশ্ৰয় লৈ, অদৃশ্য অৱস্থাত মেঘনাদ ইন্দ্ৰৰ সমুখত থিয় হৈ, পিতৃ ৰাৱণক ইন্দ্ৰৰ কবলৰপৰা মুক্ত কৰি সদম্ভে ক'লে, "পিতা! আমি ৰণ জিনিলোঁ। ইন্দ্ৰ এতিয়া আমাৰ কবলত। তুমি হ'লা এতিয়াৰপৰা আমাৰ এইতিনিওলোকৰ একমাত্ৰ দণ্ডমুণ্ডৰ কৰ্তা, আৰু বিধতা।

*

এইদৰে ইন্দ্ৰক ধৰাৰ পাছত মেঘনাদৰ নাম হ'ল ইন্দ্ৰজিৎ।

ৰাৱণে মেঘনাদ আৰু ইন্দ্ৰক লগত লৈ পুনৰ তেওঁৰ লংকাপুৰী পালেহি।

*

দেৱৰাজ ৰাৱণৰ বন্দীত্বৰপৰা মুক্ত কৰি লৈ আহিবলৈ ব্ৰহ্মাক লগত লৈ দেৱতাসকল লংকাপুৰীলৈ গ'ল।

ব্ৰহ্মাই ৰাৱণক ক'লে, "দশানন, তোমাৰ পৰাক্ৰম দেখি মই মুগ্ধ। এতিয়াৰপৰা তাৰ নাম মেঘনাদ গুচি ইন্দ্ৰজিতেই হ'ল। তাক কোনেও পৰাজিত কৰিব নোৱাৰিব। যিকি নহওক—দেৱতাসকলে যেতিয়া পৰাজয় মানি ল'লেই, তেতিয়া ইন্দ্ৰক বন্দী কৰি ৰাখি লাভ কি? মোৰ অনুৰোধ, তুমি ইন্দ্ৰক মুক্তি দিয়া।"

মেঘনাদে ক'লে, "এটা চৰ্তত ইন্দ্ৰক মুক্তি দিব পাৰোঁ। মোক অমৰত্বৰ বৰ প্ৰদান কৰিব লাগিব।"

"বোপা, ত্ৰিজগতত কোনো প্ৰাণীয়েই অমৰ হ'ব নোৱাৰে।" ব্ৰহ্মাই ক'লে।

"মানি ললোঁ।" মেঘনাদে ক'লে, "তেনেহ'লে—অগ্নিৰপৰা ওলোৱা অশ্বৰে

সৈতে এনেকুৱা এখন ৰথ লাগে, যিখন ৰথত বহি থকালৈকে মোক কোনেও বধিব নোৱাৰিব।”

এই কথাৰ উত্তৰত ব্ৰহ্মাই ‘তথাস্তু’ বুলি কোৱাৰ লগে লগে বেয়াকৈ বন্দী হোৱা দেৱৰাজ ইন্দ্ৰক মুক্তি দিয়া হ’ল।

*

যুদ্ধত ৰাৱণ বহুক্ষেত্ৰতে জয়ী হৈছিল; কিছুমান ক্ষেত্ৰত পৰাজিতো নোহোৱাকৈ নাছিল। অগস্ত্যমুনিয়ে এইবোৰ সম্বাদ শ্ৰীৰামচন্দ্ৰক দিছিলগৈ।

*

কাৰ্ত্তবীৰ্য্যাৰ্জুনৰ আছিল সহস্ৰহস্ত। তেওঁক পৰাজিত কৰিবলৈ ৰাৱণ মাহিষ্মতী নগৰলৈ বুলি আগ বাঢ়িল। কাৰ্ত্তবীৰ্য্যাৰ্জুন তেতিয়া পত্নীৰে সৈতে জলক্ৰীড়া কৰিবলৈ নৰ্মদা নৈলৈ গৈছিল। ৰাৱণো নৰ্মদালৈ গ’ল আৰু নৈৰ পানীত স্নান সমাপন কৰি শিৱৰ আৰাধনাত বহিল। ৰাৱণৰ মন্ত্ৰীবৰ্গই পাচিয়ে পাচিয়ে ফুল ৰাৱণৰ চাৰিওকাষত থৈ দিলে আৰু সেই ফুলেৰে ৰাৱণে একমনে শিৱলিংগ পূজি থাকিল।

*

হঠাৎ নৰ্মদাৰ সোঁত বিপৰীতমুখী হ’ল। পূবৰপৰা পশ্চিমলৈ প্ৰবাহিত নৰ্মদাই হঠাৎ বিপৰীত দিশলৈ প্ৰবাহিত হোৱাত আৰু নৈৰ পানী অতিপাত বাঢ়ি যোৱাত ৰাৱণৰ পূজাৰ ফুলবোৰ উটি গ’ল। নৰ্মদাৰ পানীৰ এই বিপৰীত গতিৰ সবিশেষ খবৰ ল’বলৈ ৰাৱণে তেওঁৰ মন্ত্ৰীবৰ্গক টানি নিৰ্দেশ দিলে!

*

ৰাৱণৰ নিৰ্দেশ অবিলম্বে পালিত হ’ল। মন্ত্ৰীবৰ্গই অনুসন্ধানৰ অন্তত ৰাৱণক ক’লে যে সস্ত্ৰীক জলক্ৰীড়া কৰি থাকোঁতে কাৰ্ত্তবীৰ্য্যাৰ্জুনে তেওঁৰ সহস্ৰ হাতেৰে নৰ্মদাৰ স্বাভাৱিক গতিক ভেটি ধৰাত এনে বিপৰীত অৱস্থাৰ সৃষ্টি হৈছে। ৰাৱণ তৎমুহূৰ্ততে কাৰ্ত্তবীৰ্য্যাৰ্জুনৰ বিৰুদ্ধে

ৰণ দিবলৈ ওলাল আৰু তেওঁ কাৰ্ত্ত-বীৰ্য্যাৰ্জুনৰ মন্ত্ৰীবৰ্গক ক'লে, "মই তোমালোকৰ ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিম।"

মন্ত্ৰীবৰ্গই ক'লে, "আমাৰ মহাৰাজ এতিয়া সস্ত্ৰীক জলক্ৰীড়াত ৰত। এতিয়া নহ'ব, কালিলৈ আহক, যুদ্ধ হ'ব।"

কিন্তু ৰাৱণে এই প্ৰস্তাৱ মানি নোলোৱাত তৎক্ষণাৎ যুদ্ধ লাগি পৰিল।

*

উভয়পক্ষত তুমুল যুদ্ধ হ'ল। কাৰ্ত্ত-বীৰ্য্যাৰ্জুনৰ অসংখ্য সৈন্য হতাহত হ'ল। তেতিয়া স্বয়ং কাৰ্ত্তবীৰ্য্যাৰ্জুনে তেওঁৰ পাঁচশখন হাতেৰে টাঙোন জোকাৰি তীব্ৰ গতিৰে ৰণস্থলী পালেগৈ। প্ৰহস্তই কাৰ্ত্তবীৰ্য্যাৰ্জুনক ভেটি ধৰিলে আৰু তাৰ ফলত প্ৰহস্ত বেয়াকৈ আহত হ'ল। ৰাৱণৰ বহুতো সৈন্য পলাই গ'ল।

আৰু পৰিশেষত ৰাৱণ কাৰ্ত্তবীৰ্য্যাৰ্জুনৰ মুখামুখি হ'ল। দুয়ো দুয়োকো প্ৰচণ্ড ভাৱে আঘাত কৰিবলৈ ধৰিলে। আচম্বিতে কাৰ্ত্তবীৰ্য্যাৰ্জুনে ৰাৱণক টাঙোনেৰে ইমান প্ৰচণ্ড আঘাত কৰিলে যে ৰাৱণ পলকতে ধৰাশায়ী হ'ল। লগে লগে কাৰ্ত্তবীৰ্য্যাৰ্জুনে ৰাৱণক বন্দী কৰিলে।

*

স্বৰ্গস্থ পুলস্ত্য এই বিস্ময়কৰ সম্বাদ পোৱামাত্ৰেই কাৰ্ত্তবীৰ্য্যাৰ্জুনৰ ওচৰলৈ লৰৰি গ'ল। পুলস্ত্যই কাৰ্ত্তবীৰ্য্যাৰ্জুনক ক'লে, "বোপা, সমগ্ৰ লোক বিজয়ী ৰাৱণক তুমি পৰাজিত কৰিলাই। এই সম্বাদ ইতিমধ্যেই ত্ৰিজগতত পৰিব্যাপ্ত হৈ পৰিল। তেনেহ'লে এতিয়ানো ৰাৱণক বন্দী কৰি ৰাখি আৰু কি লাভ?"

*

পুলস্ত্যৰ কথা মতে কাৰ্ত্তবীৰ্য্যাৰ্জুনে তৎক্ষণাৎ ৰাৱণক মুক্ত দিলে আৰু অগ্নি সাক্ষী ৰাখি তেওঁৰ সৈতে অহিংসাৰ বন্ধুত্বৰ ডোলেৰে আবদ্ধ হ'ল।

ৰাম-কৃষ্ণ কথা

পঢ়া-লিখা সাং কৰি ৰাম-কৃষ্ণ আহিল ফিৰি। আহিল সিহঁতৰ গাঁৱৰ ঘৰলৈ। ৰাম আৰু কৃষ্ণ হ'ল ভাই ককাই। গাঁৱলৈ ফিৰি অহাৰ পাছত সিহঁতৰ একমাত্ৰ কাম হ'ল টাং গুটি বাই ফুৰা। খোৱাৰ আৰু শোৱাৰ পৰতেহে সিহঁত দুটা বাধ্যত পৰি ঘৰলৈ আহিছিল; নহ'লে আড্ডা আৰু আড্ডা, মজা আৰু মজা মাৰিছিল। সিহঁতৰ দেউতাক আছিল খেতিয়ক। কিন্তু খেতি-বাতিৰ নাম শুনিলেই সিহঁতে মাটিত সাতকিল মাৰিছিল। ৰাম-কৃষ্ণ নগৈছিল।

*

টলৌ টলৌকৈ ঘুৰি ফুৰা এই টালি ফুটা চুঙা দুটাৰ টাংটিঙালি আৰু সহ্য কৰিব নোৱাৰি এদিন ৰামক তাৰ দেউতাকে ক'লে, "তুমি কৃষ্ণক অলপ পোনাব নোৱাৰানে? সি দেখোন উচ্ছন্নে গ'ল!"

দেউতাকৰ কথা শুনি ককায়েক ৰামে তাৰ ভায়েক কৃষ্ণক ক'লেগৈ, "বোলোঁ ঐ কিষ্ণ, চাকৰি-বাকৰি কাম-বন আমাৰ নোপোচাব। পিছে—আমাক চাকৰিৰ বা খেতিৰ যুঁৰলিত সাঙুৰি নিদিয়ালৈকে দেউতাই শান্তি নাপায়। মই ভাবি-গুণি উপায় এটা উলিয়াইছোঁ। তই যদি মান্তি হ'ব, কওঁ তেনে।"

কৃষ্ণই টপৰাই ক'লে, "ক' ক', ক'চোন—তোৰ মতেই মোৰো মত। মই তোৰ মতত কেতিয়াও নকৰোঁ অমত, এয়া মোৰ জীৱনৰ শপত।"

"চা, ৰাতিপুৱাৰ জা-জলপান, দুপৰীয়াৰ ভাতমুঠি খাই আমি চাকৰি

নৰোত্তম শৰ্মা

কৰাৰ ভাও জুৰি ওলাম। তাৰ পাছত— তিনি গধূলিলৈকে মজাছে আড্ডা মাৰি টহলি ফুৰি ঘৰ পামহি। ৰাতিনো আৰু ক'ত মজা মাৰিমগৈ? খাই-বৈ দীঘল দিম। মোৰ এই আঁচনি কেনে পাইছ ক'।" বাহাদুৰ ককায়েক ৰামে ক'লে।

*

পাছদিনা ৰামৰ আঁচনি মতে কাম হ'ল। খাই-বৈ দুয়ো ঘৰৰপৰা ওলাল। নিজা গাঁও পাৰ হৈ আন গাঁৱলৈ গ'ল। তাত বাটৰ কাষত এজোপা ডাঙৰ আহঁত গছৰ তলত থিয় হৈ কৃষ্ণই ক'লে, "এই আহঁতজোপাৰ তলত আমাৰ দুপৰীয়াৰ ভাতঘুমটিকণ মাৰি ল'লে কেনে পাবি অ' ককাইদেউ?"

"বঢ়ি—য়া!" ৰামে ক'লে, আৰু লগে লগে দুয়ো মিলি আহঁতজোপাৰ তলত থকা শিলগুটি আৰু অন্যান্য জাৰৰ-জোথৰ চাফা কৰিবলৈ ধৰিলে। তাৰ পাছত সিহঁতে আহঁতৰ তলতে ভাতঘুমটিৰ যো-জা কৰোঁতেই তুলসীৰাণী নামৰ মহিলা এগৰাকীয়ে সিহঁতক ক'লেহি, "অ'—এই ধোদৰ পচলা দুটাই এতিয়া ইয়াতেহে সময় নিয়াইছে! তাৰ পাছত দুটাক তেওঁ মুখেৰে ক'লে, "হেৰা, তোমালোকে একো কাম-বন নকৰা কেলেই?"

তুলসীৰাণী আছিল উচিত কথা কোৱা এগৰাকী ধনী মহিলা। ৰামে তেওঁক ক'লে, "কাম কৰি আছোঁ তো। আমি ইয়াত এটা দ'ল সাজিম বুলি ভাবিছোঁ।"

"তেনেহ'লে—ভাল কামকে কৰিছা দেখোন। হোঁ, এয়া লোৱা, তোমালোকৰ এই সৎকামত মই মোৰ হাতৰ চুৰী চাৰিগছি দিলোঁ। শুভ কাম সোনকালে আৰম্ভ কৰিব লাগে, একদম পলম কৰিব নাপায়।" চুৰী চাৰিগছি সিহঁতক দি তুলসীৰাণী তেতিয়াই তাৰপৰা গুচি গ'ল।

*

তুলসীৰাণী গুচি যোৱাৰ পাছত ৰামে

ক'লে, "কিন্তু, পলম কৰাটো—সঁচাকৈয়েই নাপায়। ব'ল নগৰলৈ যাওঁ, চুৰীকেইগছি বেচি যি পাওঁ তাৰে ভালকৈ কিবাকিবি হাবিজাবি একো নাভাবি খাওঁগৈ।"

*

দুয়ো যেতিয়া নগৰ পালেগৈ, তেতিয়া ভৰ দুপৰ। সিহঁতে এখন সোণৰ দোকান দেখা পাই বৈ দিলে। ৰামে কৃষ্ণক দোকানলৈ যাবলৈ ক'লে আৰু নিজে অলপমান আঁতৰত থিয় হৈ থাকিলগৈ।

*

কৃষ্ণই দুগছি চুৰী লৈ দোকানত সোমাল আৰু আৰু বিজ্ঞৰ দৰে সোণাৰিক সুধিলে, "আজি সোণৰ ভাও [দাম] কি?"

সোণাৰিয়ে হাঁহি মাৰি ক'লে, "কি ল'ব আগতে বাছি লওক, ভাও পাছতো হ'ব। দিয়কচোন? কি ল'ব লওক।"

ঠিক তেতিয়াই এজন গ্ৰাহক দোকানত সোমালহি। গ্ৰাহকজনে সোণাৰিক ক'লে, "নতুন ধৰণৰ গহনা-পাতি কিবা বনালেনেকি চাওঁচোন?"

দোকানীয়ে গ্ৰাহকজনক বিভিন্ন ধৰণৰ ন ন গহনা-পাতি দেখুৱালে আৰু দামো ক'লে। এইবোৰ কথাৰ মাজতে এছেগত কৃষ্ণই চুৰী দুগছি দোকানীক দেখুৱাই সুধিলে, "এই দুগছিৰ দাম কিমান হ'ব অনুগ্ৰহ কৰি সোনকালে কওকচোন?"

কি দাম ক'ব—দোকানীয়ে ভাবি



থাকোঁতেই সেই ধনী গ্ৰাহকজনৰ উঠিল খং আৰু তেওঁ দোকানীক ক'লে, "আপুনিনো কেনেকুৱা দোকানী? মই কথা পাতি থাকোঁতেই আপুনি মোক বাদ দি আন এজনৰ লগত দোকানদাৰী আৰম্ভ কৰি দিলে! আপোনাৰ জ্ঞান-বুধি বোলা একো নাই দেখিছোঁ।" এই বুলি কৈয়েই সেই ৰাউতমুৱা গ্ৰাহকজনে তৎমুহূৰ্তেই দোকানৰপৰা ওলাই দুপদুপাই তাৰপৰা গুচি গ'ল।

*

ইমান ধনী গ্ৰাহক এজন গুচি যোৱাত সোণাৰিয়ে বেজাৰ পালে। তেতিয়া কৃষ্ণয়ো এখোজ-দুখোজকৈ দোকানৰপৰা ওলাই যাবলৈ ধৰিলে। হঠাৎ—সোণাৰিয়ে মন কৰিলে যে তেওঁৰ গহনাপাতিৰপৰা এডাল হাৰ কোনোবাই লৈ গ'ল। কাণ্ড চাই সোণাৰিৰ মুণ্ড প্ৰচণ্ডভাৱে আচন্দ্ৰাই কৰি উঠিল।

সোণাৰি চিঞৰি উঠাত অলপ আঁতৰত ৰৈ থকা দুটা কতোৱাল দৌৰি আহিল আৰু দোকানৰপৰা ওলাই বাটত ভৰি দিয়া কৃষ্ণৰ হাত এখনত থাপ মাৰি ধৰি সুধিলে, "তুমি—কি কামত দোকানত সোমাইছিলাহি কোৱাচোনহে বোপা?"

সোণাৰিয়ে কতোৱাল দুজনক ক'লে, "মই এওঁক খাৰু দেখুৱাই থাকোঁতেই এগৰাকী ধনী গ্ৰাহক আহিছিল। এওঁৰ লগত কথা পাতি থকাত তেওঁৰ খং উঠিল আৰু তৎক্ষণাৎ দোকানৰপৰা গুচি গ'ল। কিন্তু—হাৰডাল তেৱেঁই নিলে নে এওঁ—কেনেকৈনো কওঁ? হায় হায়! হায় হায়! অলপো মৰমো নাই চোৰ বেটাৰ। সেইধাৰ আছিল মোৰ কমেও বাৰ হেজাৰ টকা দামৰ হাৰ।"

কতোৱাল এটাই কৃষ্ণলৈ তীব্ৰ দৃষ্টিৰে চাই সোণাৰিক ক'লে, "চোৰ বোধকৰোঁ দুয়োটায়েই। পলাই যোৱাটোৰ লগত ইয়াৰ নিশ্চয় যোগাযোগ আছে। এই—

তই সঁচা কথা ক'বি যদি ক', নহ'লে ল' তোক লৈ যাওঁ—"

ভয় খাই কৃষ্ণৰ লুক-ঢাক নকৰাকৈ সঁচা কথাকে কৈ দিলে। তাৰ পাছত পুনৰ ক'লে, "মোৰ কথাত যদি আপোনালোকে পতিয়ন যোৱা নাই, মোৰ ককাইদেউক সোধকগৈ। সি সৌ তাত আছিল, নিশ্চয় এতিয়াও ওচৰতে ক'ৰবাত বৈ আছে।"

অৱস্থা বিষম যেন দেখি ৰাম আগতেই তাৰপৰা পলাই গৈছিল। কতোৱালহঁতে ৰামক বিচাৰি নাপাই কৃষ্ণক ক'লে, "তুমি দেখিছোঁ—এই বয়সতে ধুমুৰ মিছাৰ ভঁৰাল হৈ পৰিছা। তোমাৰ ককায়েৰেই নাই, অথচ কৈ দিলা নাল লগোৱা ভাল লগোৱা কথা এযাৰ। হেঁ—? ঐ—সঁচা ক' কৈছোঁ—জহনীত যোৱা।"

ইপিনে—ৰামে গাড়ী এটা দেখা পাই, হাত দাঙি গাড়ীখন ৰখাই, পটকৈ গাড়ীত বহি দিলে। গাড়ীত আগৰেপৰাই আন এজন মানুহ বহি আছিল। আগৰেপৰা বহি থকা সেই মানুহজনে ৰামক সুধিলে, "ক'লৈ যোৱা?"

ৰামে ক'লে, "মই অসুস্থ। এই সোণৰ চুৰী ডুগছি বেচি বেমাৰৰ চিকিৎসা কৰাম বুলি ওলাইছিলোঁ। পিছে—"

চুৰী ডুগছি ৰামৰপৰা লৈ মানুহজনে চুৰী ডুগছি পট্‌কৈ এটা ডোবালৈ দলিয়াই পেলালে।

ৰামে টিকচি-বিকচি উঠি ক'লে, "মোৰ চুৰী ডোবাত পেলালা কিয়হে? তুমি ক'ৰ এলেকৰ পেলেক আহিলাহে?

তাৰ পাছত লাগিল দবৰা-দবৰি। ইহঁত দুটাক ৰখাবলৈ গৈ গাড়ীৰ চালক তললৈ খৰ খাই পৰিল আৰু গাড়ীখনো একতীয়া হৈ পৰিল।

ঠিক তেতিয়াই কৃষ্ণক ধৰি লৈ কতোৱাল দুজনো সেই বাটেদি গৈ আছিল। কৃষ্ণই কতোৱাল দুটাক ক'লে,

"এৰেঁই সেই ধনী গ্ৰাহক, আৰু সৌজন তাত যে বৈ আছে—মোৰ ককাইদেউ।"

কতোৱাল দুজনে ধনী গ্ৰাহকজনৰ চোলাৰ জেপত হাৰডাল পাই গ'ল। তাৰ পাছত সেই চোৰ গ্ৰাহক আৰু কৃষ্ণক কতোৱাল দুজনে বিচাৰকৰ ওচৰলৈ লৈ গ'ল। কতোৱাল এটাই কৃষ্ণক ক'লে, "আচলতে—তুমিও চোৰৰ এটা। মালবস্তুৰ ভাগত ইফাল-সিফল হোৱাত এতিয়া ইটোৱে সিটোক ধৰাই দিছা।"

*

কৃষ্ণ আৰু ৰামে বিচাৰকৰ আগত সকলো কথা বিবৰিলে। কতোৱাল দুটায়ো জনাখিনি ক'লে। বিচাৰকে ৰাম আৰু কৃষ্ণৰ মাক-দেউতাকক আৰু তুলসীৰাণীকো মতাই অনালে। সকলো ফৰকাল হ'ল। বিচাৰকে তেতিয়াহে বুজি পালে যে এই দুটা ভাই—ককাই ৰাম আৰু কৃষ্ণ প্ৰকৃততে নিৰ্দোষী।

বিচাৰ শেষ হৈ যোৱাৰ অন্তত তুলসীৰাণীয়ে ৰাম আৰু কৃষ্ণক ক'লে, "মই ইচ্ছা কৰিয়েই তোমালোকক নকলী সোণৰ অলংকাৰ দিছিলোঁ। আমাৰ গাঁৱত কেইবাটাও মন্দিৰ আছে. গতিকে মন্দিৰৰ আৰু আৱশ্যকতা নাই আমাৰ তাত। পিছে—আমাৰ গাঁৱত শিক্ষকৰ বৰ অভাৱ। তোমালোক নগৰৰপৰা লিখা-পঢ়া শিকি অহা ল'ৰা। সৰু সৰু ল'ৰা-ছোৱালীহঁতক পঢ়োৱা, তেতিয়া তোমালোকক খাঁটি সোণৰ অলংকাৰ দিম।"

*

এই ঘটনাৰ পাছৰপৰা ৰাম আৰু কৃষ্ণৰ মনত বিৰাট পৰিৱৰ্তনৰ সৃষ্টি হ'ল। সিহঁত দুয়োজনেই গৃহ-শিক্ষকতাত ধৰিলে। আৰু কিছুদিনৰ পাছত এখন পঢ়াশালি স্থাপন কৰি যথেষ্ট সুনাম আৰ্জিলে।

সাধাৰণ-অসাধাৰণ

দেশৰ নাম বিশালদেশ। আৰু ৰজাৰ নাম কীৰ্তিমান। ৰজাৰ একমাথোন কন্যাৰ নাম ৰূপৱতী কীৰ্তিমান। ৰজাই ৰূপৱতীক বিভিন্ন ধৰণৰ বিদ্যাত পাৰংগম কৰি তুলিছিল। ৰাজজ্যোতিষীয়ে ৰাজকুঁৱৰী ৰূপৱতীৰ ভৱিষ্যৎ সম্পৰ্কে বিশেষ আশংকাজনক মন্তব্য কৰিছিল। ৰাজকুঁৱৰীক হেনো সাপে খুটিব। তদুপৰি অন্যান্য ঘটনা-দুৰ্ঘটনাৰো আশংকা। এজন অতি সাধাৰণ যুৱকৰ সৈতে ৰাজকুঁৱৰীৰ বিবাহ হ'ব আৰু সেই বিবাহত কোনো প্ৰকাৰেই কোনেও বাধা দিব নোৱাৰিব—ইত্যাদি।

ৰাজ-জ্যোতিষীৰ প্ৰতি ৰজাৰ, আৰু ৰাণীৰো অগাধ বিশ্বাস আছিল। সেয়েহে তেওঁলোকে ৰূপৱতীক সদায় চকুৱে চকুৱে ৰাখিছিল, আৰু কোনোবা ৰাজকোঁৱৰৰ সৈতে তাইৰ বিবাহ নোহোৱালৈকে তেওঁলোকৰ মনত শান্তি নাছিল। আন কোনোবা যুৱকৰ সৈতে একোপধ্যে যাতে ৰূপৱতীৰ দেখাদেখি নহয়, তাৰ বাবে তেওঁলোকে সদা-সৰ্বক্ষণ সকলো ধৰণৰ সতৰ্কতা অৱলম্বন কৰিছিল।

ৰূপৱতীয়ে যেতিয়া, ষোল বছৰত ভৰি দিলে, ৰজা কীৰ্তিমানে তেতিয়া তাইৰ কাৰণে যোগ্য পাত্ৰ বিচৰাত উঠি-পৰি লাগিল। এই বিষয়ে তেওঁ বিভিন্ন দেশৰ ৰাজকোঁৱৰসকলৰ খবৰ লৈ থাকিল।

এনেতে, এদিন এক জোনাক নিশা কাকো একো নকৈ ৰাজকুঁৱৰী ৰূপৱতীয়ে উদ্যানত ফুৰিবলৈ ধৰিলে। আৰু হঠাৎ এক কালনাগ ৰাজকুঁৱৰীৰ আগত ক'ৰবাৰপৰা ওলাই ফেঁট মেলি তুলিবলৈ ধৰিলে।

ৰূপৱতীয়ে ফুল এটা ছিঙি লৈ কালসৰ্পৰ ফেঁটলৈ দলিয়ালে। লগে লগে আঁতৰত থকা সাপটো ৰাজকুঁৱৰীৰ পিনে ফেঁট মেলি ধাৱিত হ'ল। ভীতা ৰাজকুঁৱৰীয়ে আৰ্তনাদ কৰি উঠিল আৰু কালসৰ্পই তেওঁক খুটিবলৈ সাজু হ'ল।

ঠিক এই মুহূৰ্তত এজন ৰাজপ্ৰহৰী বিজুলীগতিৰে উদ্যানলৈ সোমাই আহিল আৰু খুটিবলৈ উদ্যত কালসৰ্পটোৰ নেগুৰত পকাই ধৰি শূন্যলৈ দাঙি সজোৰে দলিয়াই আছাৰ মাৰি পেলালে।

ৰূপৱতী ভয়তে অৰ্ধচেতন হৈ পৰিছিল; এতিয়া পৰিপূৰ্ণ চেতনা ঘূৰাই পাই তেওঁৰ পুনৰ্জন্ম দিওঁতা ৰক্ষকলৈ ঘূৰি চালে।

ৰাজপ্ৰহৰী এই যুৱক দেখাত আছিল অতি সুন্দৰ। ৰাজকুঁৱৰী ৰূপৱতীয়ে যুৱকক সুধিলে, "তুমি—কোন? ইয়ালৈ কেনেকৈ ওলালাহি? কিয় আহিলা?"

"মই ৰজাৰ সেৱক, এই উদ্যানৰ প্ৰহৰী। মোৰ অন্য পৰিচয় অনুল্লেখ্য, ৰাজকুঁৱৰী।" প্ৰহৰী যুৱকে ক'লে।

নিশ্চিত মৃত্যুৰ গৰাহৰপৰা ৰক্ষা পৰাত কৃতজ্ঞ ৰাজকুঁৱৰীয়ে প্ৰহৰী যুৱকক সুধিলে, "তুমি মোক নিশ্চিত মৃত্যুৰ গৰাহৰপৰা ৰক্ষা কৰিলা। তোমাক কি লাগে কোৱা।"

"মোক একো নালাগে, ৰাজকুঁৱৰী।" প্ৰহৰী যুৱকে ক'লে।

"একো নলগা মানুহ পৃথিৱীত নাই, নাথাকিব। সংকোচ নকৰাকৈ কোৱা, মোৰপৰা তোমাৰ প্ৰত্যাশা কি।" ৰাজকুঁৱৰী ৰূপৱতীয়ে পুনৰ সুধিলে।

"মানুহৰ মনৰ ইচ্ছাৰ সীমা-সংখ্যা নাই, ৰাজকুঁৱৰী। কাৰোবাক লাগে জাগতিক সুখভোগ, কাৰোবাক লাগে ঈশ্বৰপ্ৰেম। এনেবোৰ ইচ্ছা পূৰণ কৰা ৰাজকুঁৱৰীৰ পক্ষে সম্ভৱ জানো?" যুৱকে প্ৰহৰীয়ে প্ৰশ্ন কৰিলে।

"মই সহজেই পূৰাব পৰাবিধৰ কোনো ইচ্ছা নাইনে?" ৰূপৱতীয়ে সুধিলে।

"আছে।" প্ৰহৰী যুৱকে ক'লে, "কিন্তু সেই ইচ্ছা পূৰণ কৰাটো—চাগে' ৰাজকুঁৱৰীৰো অসাধ্য।"

কৌতূহলী ৰাজকুঁৱৰীয়ে পুনৰ সুধিলে, "তোমাৰ ইচ্ছাটো কোনটো শুনো?"

"ৰাজকুঁৱৰী, মই বহুদিনৰেপৰাই তোমাক ভাল পাই পেলাইছোঁ। কিন্তু এই কথা কেনেবাকৈ সদৰি হৈ পৰিলে ৰজাই মোক তৎক্ষণাৎ মৃত্যুদণ্ড দিব। মই নিজক আৰু তোমাক ভাল পাওঁ; কিন্তু কেতিয়াও কাৰো আগত প্ৰকাশ কৰা নাছিলোঁ।" প্ৰহৰী যুৱাই ক'লে।

যুৱকৰ কথা শুনি ৰাজকুঁৱৰী ৰূপৱতী হতবাক হৈ পৰিল। কিন্তু—কিন্তু এই প্ৰহৰীয়ে সঁচা কথা কৈছিল—প্ৰহৰী যুৱকৰ এই ইচ্ছাপূৰণ ৰাজকুঁৱৰীৰ পক্ষে সম্ভৱ নহয়। ৰূপৱতীয়ে কথাষাৰ পিতৃক কয়গৈ যদি, তৎমুহূৰ্তৰেপৰাই চাগে' এই যুৱকক আৰু কাহানিও বিচাৰি পোৱা নাযাব। —ৰূপৱতীয়ে দ্ৰুত ভাবি থাকিল: এনে অৱস্থাত কৰণীয় কি? আৰু—ৰজাৰ কুঁৱৰী হৈ যদি এজন সাধাৰণ প্ৰহৰীৰ সামান্য ইচ্ছা এটা পূৰাব নোৱাৰোঁ—তেনেহ'লে ৰজাৰ কুঁৱৰী হৈ লাভ?

এনে ধৰণৰ কিছুমান কথা ভবাৰ অন্তত ৰাজকুঁৱৰীয়ে প্ৰহৰী যুৱকক ক'লে, "ৰাজকুঁৱৰী হৈ জনম লৈ মোৰ ধাৰণা আছিল যে মই মন কৰিলে যিকোনো কাম কৰিব পাৰোঁ। কিন্তু এতিয়া দেখিছোঁ—কথা আন। মই যে ইমান অক্ষম আজিহে বুজি পালোঁ। মোক ক্ষমা কৰা।"

"ক্ষমা কৰিবলগীয়া কোনো কথা হোৱা নাই। মই ৰজাৰ প্ৰহৰী, তথা সেৱক। যিকোনো মানুহক বিপদৰপৰা উদ্ধাৰ কৰাটোৱেই মোৰ প্ৰধান কৰ্তব্য। মোক যদি কেতিয়াবা তোমাৰ মনত পৰে—মোৰ বাঞ্ছা পূৰণ হ'ল বুলি মই ভাবিম।" প্ৰহৰীয়ে ৰাজকুঁৱৰীক ক'লে।

তাৰ পাছত, বেজাৰ মনেৰে ৰাজকুঁৱৰী

অন্তেষপুৰলৈ গ'লগৈ। ঠিক সেই সময়-ছোৰাত ৰজা কীৰ্তিমানদেৱে তেওঁৰ পত্নী ৰাণী মানকুমাৰীৰ সৈতে কিছুমান গুৰুত্ব-পূৰ্ণ কথা পাতি আছিল। ৰাজকুঁৱৰী ৰূপৱতীয়ে কাণ সৰালি মাৰি সেইবোৰ কথা শুনি থাকিল।

ৰজাই ক'লে, "ৰূপৱতীৰ বিবাহৰ কথাত মই চিন্তিত।"

ৰাণীয়ে ক'লে, "ময়ো। আমাৰ জ্যোতিষীৰ কথা যদি সঁচা হয়েই—তাইৰ বিবাহ কোনো ৰাজকোঁৱৰৰ সৈতে নহ'ব, তাইৰ বিবাহ হ'ব হেনো অতি সাধাৰণ যুৱক এজনৰ লগত। পিছে কী যে হ'ব—?"

আৰবপৰা এই কথা শুনি ৰাজকুঁৱৰীৰ মনত আশাৰ দোলনি উঠিল। তেনেহ'লে —জ্যোতিষীৰ কথা মতে—এইজন প্ৰহৰী যুৱকৰ সৈতেও তো বিয়া হ'ব পাৰে মোৰ! ভাবিলে তাইঃ অৱশ্যে মা-দেউতাই এই কথাত ঘোৰ আপত্তি দৰ্শাব; কিন্তু বিধিৰ বিধান বোলা কথাও তো আছে। যিজন যুৱকে নিজৰ প্ৰাণ তুচ্ছ কৰি মোক পুনৰ্জীৱন দান কৰিলে সেইজন উপকাৰীলৈ ৰাজকুঁৱৰীয়ে কৃতজ্ঞ বোধ নকৰি নোৱাৰিলে।

ৰূপৱতীয়ে যিমানেই প্ৰহৰীৰ কথা ভাবি থাকিল, সিমানেই তেওঁৰ মনত প্ৰহৰীৰ প্ৰতি মৰম শিপাই থাকিল। কিন্তু পিতৃ-মাতৃক মনৰ কথা কোৱাৰ সাহস ৰাজকুঁৱৰীৰ নাছিল।

ৰূপৱতীয়ে যেতিয়া এইবোৰ কথা ভাবি আছিল, তেতিয়া কিছুমান গুৰুত্বপূৰ্ণ কথা আলোচনা কৰিবলৈ ৰাজ-জ্যোতিষী ৰজা আৰু ৰাণীৰ কাষ চাপিল। এওঁলোকৰ কথা শুনি ৰাজকুঁৱৰীও উদ্বিগ্ন হৈ উঠিল। সেই কথাখিনিৰ সাৰমৰ্ম হ'লঃ এঠাইৰপৰা এজন সাধাৰণ মানুহক ধৰি আনি তাইক সেই মানুহজনৰ লগত বিয়া দিয়া হ'ব, কোনেও গম নোপোৱাকৈ। তাৰ পাছত সেই মানুহজনক বিহ খুৱাই হত্যা কৰা

হ'ব। আৰু তাৰ পাছত আন কোনোবা ৰাজকোঁৱৰৰ সৈতে তাইৰ পুনৰ্বিবাহ অনুষ্ঠিত হ'ব।

জ্যোতিষীৰ কথা মতে—সাধাৰণ মানুহ এজনৰ লগত বিয়া সোমালেই ৰাজকুঁৱৰীৰ কপালৰ গাঁঠি মুকলি হ'ব। ৰূপৱতীয়ে এইবাৰ কথা ভালকৈ বুজি পোৱা হ'ল যে কোনোবা এজন সাধাৰণ মানুহৰ লগত তাইৰ বিয়া পতাটো তাইৰ পিতৃ-মাতৃ আৰু জ্যোতিষীয়ে গ্ৰহশান্তিৰ দৰে ভাবিছে। গতিকে—তাই যদি সেইজন প্ৰহৰীকো বিয়া কৰাব বুলি কয় —তেনেহ'লে তেওঁলোকে আনন্দৰে তাইৰ বিয়া প্ৰহৰীৰ সৈতে পাতিব, কিন্তু পাছত প্ৰহৰীক বিহ খুৱাই হত্যা কৰা হ'ব। কিন্তু জানি-বুজিও মই ইমান ডাঙৰ বিপদৰ মাজত সোমামনে? জানিও প্ৰহৰী যুৱকক এনে বিপাঙত পেলামনে?— ৰাজকুঁৱৰী ৰূপৱতীয়ে ভাবি থাকিল।

পাছদিনা সাঁজ লাগি ভগাৰ পাছত কোনেও গম নোপোৱাকৈ অন্তেষপুৰৰপৰা ওলাই আহি ৰাজকুঁৱৰী ৰূপৱতী পোনে পোনেই উদ্যানলৈ গ'ল। গৈ সেই প্ৰহৰী যুৱকক ক'লেগৈ, "কালি তোমাৰ নামটো সুধিবলৈ নহ'ল। মোৰ নাম যে ৰূপৱতী— জানাই। তোমাৰ নামানো কি ক'বানে?"

"মোৰ নাম জয়।" প্ৰহৰী যুৱকে ৰাজকুঁৱৰীক ক'লে।

"জয়, তোমাৰ সৈতে মোৰ নিশ্চিত ৰূপে বিবাহ হ'ব।" ৰাজকুঁৱৰীয়ে ক'লে।

"ৰূপৱতী! এনে দুঃসাহস মোৰ নাই, নহ'ব। এই কথা ভাবিলেও ভয়ে মোক জুমুৰি দি ধৰেহি।" জয়ে ক'লে।

ৰাজকুঁৱৰী ৰূপৱতীয়ে ক'লে, "নিৰ্ভয় হোৱাৰ উপায় মই দিম। তুমি মোক বিবাহ কৰাবলৈ প্ৰস্তুত হোৱাঁ।" এই কথাখিনি ৰাজকুঁৱৰী ৰূপৱতীয়ে দৃঢ়তাৰে জয়ক ক'লে! [অহা সংখ্যাত

সঠিক গণনা

অবগিৰি দেশৰ ৰজাৰ ৰাজসভাৰ জ্যোতিষীৰ মৃত্যু হোৱাত নতুন ৰাজ-জ্যোতিষী নিযুক্ত কৰিব লাগিব। সম্বাদ পাই বহু সংখ্যক জ্যোতিষী আহিল। পৰীক্ষাৰ অন্তত প্ৰায় সকলোটিকেই সংস্মানে বিদায় কৰা হ'ল, থাকিল পাঁচগৰাকী মাথোন।

ৰজাই সেই পাঁচগৰাকী জ্যোতিষীক বেলেগ বেলেগভাৱে মতাই অনাই সুধিলে, "ৰাজ-জ্যোতিষী হোৱাৰ যোগ্যতা তোমাৰ আছে বুলি ভাবানে?"

ৰজাৰ প্ৰশ্নৰ উত্তৰ প্ৰতিগৰাকী জ্যোতিষীয়েই ক'লে যে যোগ্যতা থাকা বুলি ভাবিহে তেওঁ আহিছে।

এই পাঁচগৰাকী জ্যোতিষীৰ মাজত কোনো কম নহয়। গতিকে—কাক এৰি কাক নিযুক্ত কৰিব—ৰজাই ভাবি উলিয়াব নোৱাৰি তেওঁৰ মহামন্ত্ৰীক কথাটো ক'লে।

মহামন্ত্ৰীয়ে ৰজাক ক'লে, "মহাৰাজ, আপুনি এই পাঁচগৰাকীৰ ভিতৰত যিকোনো এজনক বাছি লওক, তাৰ পাছত আপোনাৰ সন্দেহ গুচাম।"

ৰজাই এই পাঁচজনৰ ভিতৰত ৰামশাস্ত্ৰীৰ নাম ক'লে।

মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, এই পাঁচগৰাকীৰ মাজত ৰামশাস্ত্ৰীয়েই শ্ৰেষ্ঠ জ্যোতিষী।"
"কিহৰ ভিত্তিত এই কথা কৈছে?" ৰজাই প্ৰ কৰিলে।

মহামন্ত্ৰীয়ে মিচিকীয়াই হাঁহি ক'লে, "মহাৰাজ, এই পাঁচগৰাকীৰ মাজত আটাই কেইগৰাকীয়েই ৰাজ-জ্যোতিষী হ'ব পাৰিব বুলি নিজ নিজ ভাগ্যলিপি গণনা কৰি আহিছিল নিশ্চয়। তেওঁলোকৰ মাজৰপৰা আপুনি যেতিয়া ৰামশাস্ত্ৰীক বাছি উলিয়াইছে—ৰামশাস্ত্ৰীৰ গণনাহে সঠিক হ'ল। আৰু সেই কাৰণে নিঃসন্দেহে ৰামশাস্ত্ৰীয়েই শ্ৰেষ্ঠ জ্যোতিষী।"



কেৰেলাতকৈ শুটি দীঘল

ওপজাৰ এমাহৰ ভিতৰত পোৱালি এটিৰ ওজন ৩৪০ গ্ৰাম হয়। কিন্তু এই পোৱালিটিয়ে ২৪ ঘণ্টাৰ ভিতৰত ৮০০ গ্ৰাম ওজনৰ পোক খায়। অৰ্থাৎ ই নিজৰ দেহৰ ওজনৰ দুগুণ খাদ্য খায়।

আটাইতকৈ গভীৰ নৈ

চীনদেশৰ ইয়াং স্তে নৈখন পৃথিৱীৰ আটাইতকৈ গভীৰ নৈ। পৰ্বতৰপৰা ওলোৱা এই নৈখনৰ গভীৰতা ৬০০ ফুট।



‘থাইকৰু’ মাখি

২২ ইঞ্চি বা-বিচনী থকা এই দানৱাকৃতি মাখিবোৰ ৩০০ মিলিয়ন বছৰৰ আগতে আমাৰ এই পৃথিৱীত উৰি ফুৰিছিল। এইখন পৃথিৱীত চৰাইৰ আবিৰ্ভাৱ হোৱাৰ ১৫০ মিলিয়ন বছৰৰ আগৰেপৰা এইবোৰ বৃহদাকাৰ ‘থাইকৰু’ মাখি পৃথিৱীত আছিল।

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ মে' সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : প্ৰাণৰ ধৰম — দ্বিতীয় ফটো : একেই মৰম

পুৰস্কাৰ প্ৰাপক : মুকুলপ্ৰভা বৰা, যোৰপুখুৰী, গুৱাহাটী-১

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chan la na na Publications, Chandamama Buildings, Vadapal—i, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. *Place of Publication*	... 'CHANDAMAMA BUILDINGS' 188 N.S.K. Salai Vadapalani, Madras-600 026
2. *Periodicity of Publication*	... MONTHLY ... 1st of each calendar month
3. *Printer's Name*	... B.V. REDDI
Nationality	... INDIAN
Address	... Prasad Process Private Limited 188 N.S.K. Salai Vadapalani, Madras-600 026
4. *Publisher's Name*	... B. VISWANATHA REEDI
Nationality	... INDIAN
Address	... Chandamama Publications 188 N.S.K. Salai Vadapalani, Madras-600 026
5. *Editor's Name*	... B. NAGI REDDI
Nationality	... INDIAN
Address	... 'Chandamama Buildings' 188 N.S.K. Salai Vadapalani, Madras-600 026
6. *Name and Address of individuals who own the paper*	... CHANDAMAMA PUBLICATIONS PARTNERS: 1. B.VENKATRAMA REDDY 2. B.V.SANJAY REDDY 3. B.V.NARESH REDDY 4. B.PADMAVATHI 5. B.VASUNDHARA 6. B.V.SHARATH REDDY 7. B.N.RAJESH (Minor) 8. B.L.ARCHANA (Minor) 9. B.L.ARADHANA (Minor) (All Three Minors admitted to the benefits of Partnership)

I, B. Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

B. VISWANATHA REDDI
Signature of the Publisher

1st March 1987

A BRIGHT NEW TRADITION IS BUILT by THE READERS OF

THE HERITAGE

FEATURES AND FICTION FOR TODAY AND TOMORROW

The span of one and half years is not a long time, yet given will and goodwill, enough of a time to build a healthy, meaningful and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE.

* THE HERITAGE reveals the fourth dimension of life to you—through series like *"The Other Experience"* and *"Fables and Fantasies for Adults"*.
* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, novels and poems.
* THE HERITAGE features pictorial articles on places and monuments delving into their *roots*.
* THE HERITAGE takes you to a tour of the *Little-Known India*.

A Super treat in every sweet!
SUPER SIZE!
SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্রিন কনফেকশ্যনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিত্তুৰ, অ. প্ৰ.
CLARION/NC/8636